March 2013 ₹ 25/-

Founded by
**B. Nagi Reddi and Chakrapani**

*Editor, Publisher:*
Prashant Sharad Mulekar

*Associate Editor:*
R. Vaasugi

*Sub Editor:*
Patricia Pandian

*Senior Artists:*
K.C. Sivasankaran (Sankar),
Gandhi Ayya, P. Mahesh,
Sandeep Solkar

*Layout Designers:*
N. Sivakumar

*Production In-charge:*
Prashant Pawar

*Circulation:*
circulation@chandamama.com

*Assistant Managers:*
*Sales & Circulation*
Rajendra K. Jadhav
Subhankar Rej

*Sales Officer - Circulation:*
K. Ravishankar

*Advertisement:*
Prashant Pawar
prashant.p@chandamama.com
9833931010

*Subscription:*
subscription@chandamama.com

*Customer Help:*
Ph: 022 40786043

*Head Office:*
**CHANDAMAMA INDIA LTD.,**
P.O.Box No:19407, Mumbai-400093
Phone +91 22 28312872 / 28311849
Email : chandamama@chandamama.com
Website : www.chandamama.com

Published, Printed and Owned by
CHANDAMAMA INDIA LTD.,
Published and Printed on their behalf by
Prashant Sharad Muleker
Published at B-3, Lunic Industries,"B" Cross Road,
Opp.SBI, MIDC, Andheri (E) Mumbai - 400 093.
Printed At :- Mothers Graphics (I) Pvt. Ltd.
91D, Govt. Ind. Estate, Charkop,
Kandivali (W), Mumbai - 400067.
Editor :- Prashant Sharad Mulekar

# এই সংখ্যাত আছে

## চান্দমামা

Volume - 04 March 2013 Issue-03


- বেপাৰীৰ দায়িত্ব ... ০৬
- জয়ন্তৰ চিকিৎসা ... ০৯
- দুই ভগ্নীৰ কাহিনী ... ১৩
- ৰুটীৰ উৎসৱ ... ১৭
- তথাস্তু দেৱতা ... ১৯
- ৰামৰ ইচ্ছা ... ২২
- বীৰবল ... ২৪
- মহীপতিৰ পৰামর্শ ... ২৬
- বীৰ কালীনাথ–৩ ... ২৮
- বাবুৰ বন্ধু – হাঁহ ... ৩২
- ৰং দিয়াৰ আনন্দ ... ৩৩
- ভাৰত দর্শন ... ৩৪
- কথাৰ মালিহা ... ৩৫
- ৰাজকীয় খাদ্য ... ৩৬
- বালক যোগী! ... ৪২
- উদীয়মান তাৰকা ... ৪৩
- কৌতুক ... ৪৪
- আখলৰ জুতি ... ৪৫
- সাধাৰণ জ্ঞান সাঁথৰ – ৫০ ... ৪৬
- ক্ষিপ্র ফর্মূলা ... ৪৭
- অকৃতজ্ঞ সিংহ ... ৪৮
- গুপ্তধনৰ বাকচ ... ৫০


© The stories, articles and designs contained in this issue are the exclusive property of the Publishers. Copying or adapting them in any manner/ medium will be dealt with according to law.

Statement about Ownership of
**ENGLISH CHANDAMAMA** Rule 8 (Form VI), Newspaper (Central) Rules, 1956

| | | |
|---|---|---|
| 1. Place of Publication | : | Chandamama India Ltd.,<br>B-3, Cross Road 'B', MIDC,<br>Andheri (East), Mumbai-400093. |
| 2. Periodicity of Publication | : | MONTHLY<br>1st of each calender month |
| 3. Printer's Name | : | Prashant Sharad Mulekar |
| Nationality | : | Indian |
| Address | : | Chandamama India Ltd.,<br>B-3, Cross Road 'B', MIDC,<br>Andheri (East), Mumbai-400093. |
| 4. Publisher Name | : | Prashant Sharad Mulekar |
| Nationality | : | Indian |
| Address | : | Chandamama India Ltd.,<br>B-3, Cross Road 'B', MIDC,<br>Andheri (East), Mumbai-400093. |
| 5. Editor's Name | : | Prashant Sharad Mulekar |
| Nationality | : | Indian |
| Address | : | Chandamama India Ltd.,<br>B-3, Cross Road 'B', MIDC,<br>Andheri (East), Mumbai-400093. |
| 6. Name and address of Individuals who own the newspaper | : | Chandamama India Ltd., |
| Board of Directors | : | 1. Prashant Sharad Mulekar<br>2. Kiran Kulkarni<br>3. Salim Govani<br>B-3, Cross Road 'B', MIDC,<br>Andheri (East), Mumbai-400093. |

I Prashant Sharad Mulekar, do hereby declare that the particulars given above are true to the best of my knowledge and belief.

(Sd,) Prashant Sharad Mulekar
Publisher

1st March 2013

# মৰমৰ বন্ধুহঁত !!!

চান্দমামাৰ কাহিনীবিলাকে সদায়েই দুটা লক্ষ্যত উপনীত হবলৈ চেষ্টা কৰি আহিছে। সেই দুটা হ'ল– পাঠকক আমোদ প্রদান কৰা আৰু সামাজিক মূল্যবোধৰ জ্ঞান বিতৰণ কৰি এক সুস্থ সমাজৰ সৃষ্টি কৰা।

সাম্প্রতিক সময়ত ঘটি থকা নানা ধৰণৰ ঘটনাৱলীৰ ফালে দৃষ্টি ৰাখি এই কথা কব পাৰি যে আমাৰ চাৰিওফালে ঘটি থকা ঘটনাবিলাকৰ ক্ষেত্রত নতুন প্রজন্মই ভালদৰে চিন্তা কৰিবৰ সময় হ'লহি। দিনক দিনে আমি সামাজিক মূল্যবোধ নিম্নগামী হোৱা দেখিবলৈ পাই আহিছো। কেৱল আমাৰ দেশতেই যে এনে হৈছে তেনে নহয়, সমগ্র বিশ্ব আজি একেই পৰিস্থিতিৰ সন্মুখীন হৈছে। আন আন উল্লেখযোগ্য বৈশিষ্টৰ লগতে আমাৰ সংস্কৃতিৰ কিছুমান বিশেষ বৈশিষ্ট আছিল নাৰী আৰু অগ্রজসকলৰ প্রতি সন্মান আৰু শিক্ষাৰ গুৰুত্ব।

আমি যেতিয়াই সুবিধা পাও, তেতিয়াই আমাৰ ঘৰৰ ওচৰে পাজৰে থকা ঠাইত সৰু সৰু গোট গঠন কৰি সকলোৰে মাজত সুস্থ মূল্যবোধৰ সৃষ্টি কৰিবলৈ চেষ্টা কৰিব লাগে। এই কাম মনোৰঞ্জনৰ মাজেদি কৰিলে অধিক ফলপ্রসু হোৱাৰ সম্ভাৱনা আছে। কেইবাখনো বিদ্যালয় একগোট হৈ ভাল নাটক মঞ্চস্থ কৰাৰ লগতে কাহিনী কোৱা অনুষ্ঠানৰো আয়োজন কৰিব পাৰে। লগতে বর্তমান কালত আমি জন–সচেতনতাৰ সৃষ্টি কৰিবৰ বাবে 'চচিয়েল মেডিয়া'ৰ ব্যৱহাৰ কৰিবলৈ চেষ্টা কৰিব লাগে। এইবিলাক কাম কৰিবৰ বাবে আমি গৰম বন্ধৰ সময়ত যথেষ্ট সময় পাম।

বন্ধ আৰম্ভ হোৱাৰ আগতে আমি পৰীক্ষাৰ সন্মুখীন হবলগীয়া হয়। আমি দৃঢ় হব লাগে আৰু এবাৰ অসফল হলেই ভাগি পৰিব নালাগে। অসফলতা হ'ল সফলতাত উপনীত হোৱাৰ জখলা। লগতে আমি নিজে কৰা ভুলবিলাকৰ পৰা শিক্ষা গ্রহণ কৰিব লাগে, যাতে একেধৰণৰ ভুল আমি পুণৰাই কৰিবলগীয়া নহয়।

আমি আমাৰ সকলো পাঠককে তেওঁলোকৰ নিজৰ নিজৰ অভিজ্ঞতাৰ কৰা বর্ণনা কৰি কাহিনী ৰচনা কৰি আমালৈ প্রেৰণ কৰিবলৈ অনুৰোধ কৰিছো। আমি আশাকৰো সেই কাহিনীবিলাক পঢ়ি আমাৰ আনসকল পাঠক উপকৃত হব।

সম্পাদক

# বেপাৰীৰ দায়িত্ব

হৰিনাৰায়ণে শস্যৰ বেপাৰ কৰি যথেষ্ট উপার্জন কৰিছিল। তেওঁ দানী আছিল আৰু ভগৱানৰ ওপৰত তেওঁৰ পৰম বিশ্বাস আছিল। তেওঁ ৰাইজৰ উপকাৰত অহাকৈ এটা অতিথিশালা নির্মাণ কৰিছিল আৰু তাত অন্নদানৰ ব্যৱস্থা কৰিছিল। মন্দিৰত তেওঁ প্ৰায়েই ধর্মোপদেশৰ দিহা কৰিছিল।

এদিন তেওঁ ভোজন কৰি থাকোতে পত্নী সৰস্বতীয়ে তেওঁক ক'লে, ''আমাৰ তিনিওটা ল'ৰাৰ এতিয়া বয়স হৈছে। বেপাৰৰ সম্পূর্ণ দায়িত্ব আপুনিনো কেতিয়ালৈকে চম্ভালি থাকিব ইহঁতৰে কোনোবা এটাক বেপাৰৰ দায়িত্ব অর্পণ কৰিলেই ভাল হ'ব বুলি মই ভাবো।''

''মই নিজেও তাকেই ভাবি আছো। লগতে ভাবিছো ইহঁত তিনিটাৰ ভিতৰত কাক এই দায়িত্ব দিলে সি দক্ষতাৰে এই দায়িত্ব চম্ভালিব আৰু আমাৰ পৰম্পৰা ৰক্ষা কৰিব পাৰিব।'' হৰিনাৰায়ণে ক'লে। ''তিনিওটাই ভাল স্বভাৱৰ। কোনোবা এটাক দিলেই হ'ল। ভালকৈ এই দায়িত্ব চম্ভালিব পাৰিব।'' সৰস্বতীয়ে ক'লে।

''তোমাৰ তিনিও পুত্ৰৰ সম্পর্কে তোমাৰ অভিমত শুদ্ধ। কিন্তু বেপাৰৰ বাবে ভাল গুণ থাকিলেই যথেষ্ট নহয়। বুদ্ধিমত্তাৰ লগতে বেপাৰৰ প্ৰতি অভিৰুচিও থাকিব লাগিব। এই কথা জানিবলৈ মই তিনিও পুত্ৰৰ এটা পৰীক্ষা ল'ব লাগিব। প্ৰত্যেকৰে যোগ্যতা তুমিয়েই চাবা।'' হৰিনাৰায়ণে ক'লে।

পিছদিনা হৰিনাৰায়ণে তিনিও পুত্ৰকে মাতি পঠিয়ালে। তিনিওকে এটকাকৈ ধন দিলে আৰু ক'লে, ''এই এটকাৰে তোমালোক প্ৰত্যেকেই সন্ধিয়ালৈকে এটা ভাল কাম কৰি আহাঁ। তেতিয়াই জানিব পৰা যাব তোমালোক তিনিওৰে ভিতৰত সবাতোকৈ কোন দক্ষ?''

সন্ধিয়া যেতিয়া তেওঁ ঘৰলৈ ঘূৰি আহিল, তেতিয়া তেওঁ দেখিলে তিনিও পুত্ৰই তেওঁলৈ বাট চাই আছে। হৰিনাৰায়ণে বৰপুত্ৰ সোমশেখৰক সুধিলে, ''তুমি এটকাৰে কি কাম কৰিলা?''

''মই মন্দিৰৰ ওচৰত এগৰাকী ভোকাতুৰ মহিলা দেখা পালো। টকাটো মই তেওঁক দি দিলো।'' সোমশেখৰে ক'লে। মিচিকিয়া হাঁহি এটা মাৰি হৰিনাৰায়ণে দ্বিতীয় পুত্ৰ কমলৰ ফালে চালে।

''আমাৰ বেপাৰৰ শ্ৰীবৃদ্ধি হওক সেই প্ৰার্থনা কৰি মই মন্দিৰত পূজা দিলো আৰু টকাটো পূজাৰীৰ দানপাত্ৰত থৈ আহিলো।'' কমলে ক'লে।

আকৌ এবাৰ মিচিকিয়া হাঁহি এটা মাৰি হৰিনাৰায়ণে নুমলীয়া পুত্ৰ নাৰায়ণক সুধিলে, ''তুমি কি কৰিলা বোপা?''

''দেউতা, আপুনি দিয়া টকাটোৰে মই এখন বাগিচালৈ গৈ তাৰপৰা চাৰিটা নেমু কিনি আনিলো। তাৰ পাছত মই বজাৰত বহি মানুহক ক'বলৈ ধৰিলো এয়া এটা বিশেষ প্ৰকাৰৰ নেমু আৰু নেমুকেইটা মই দুটকাত বেচিলো। লাভ হোৱা এটকাৰ পঞ্চাছ পইচা দি মই মিঠাই এটা ভোকাতুৰ ল'ৰাক খাবলৈ দিলো। বাকী পঞ্চাছ পইচা মই ভগৱানৰ দানপাত্ৰত থৈ প্ৰার্থনা কৰিলো যাতে তেওঁ সকলোকে দয়া কৰে। বাকী মোৰ হাতত থকা এটকা মই ঘূৰাই লৈ আহিলো।'' নাৰায়ণে লাহেকৈ ক'লে।

নুমলীয়া পুত্ৰৰ বুদ্ধিমত্তা আৰু দয়ালু স্বভাৱ দেখি হৰিনাৰায়ণে বৰ ভাল পালে আৰু তাৰ হাততেই তেওঁৰ বেপাৰৰ দায়িত্ব চমজাই দিবলৈ মনতে সিদ্ধান্ত কৰিলে। তাৰপাছত তেওঁ প্ৰথম দুই পুত্ৰৰ ফালে চাই ক'লে, ''যিকোনো ভাল কাম কৰিবলৈকে মানুহক ধনৰ প্ৰয়োজন হয়। বিশেষকৈ বেপাৰৰ বাবে ই নিতান্তই প্ৰয়োজন। গতিকে যিজনে বেপাৰ কৰে, প্ৰথমে তেওঁ লাভৰ কথা ভাবিব লাগিব। নাৰায়ণে এই কাম কৰিলে। উপার্জনৰ পাছত আহিব দান ধর্মৰ কথা। তোমালোকৰ এজনে আমাৰ অতিথিশালাটো চোৱা। এজনে চোৱা মন্দিৰটো। নাৰায়ণে শস্যৰ বেপাৰ চম্ভালি ল'ব আৰু তোমালোক দুয়ো তেওঁক সহায় কৰিবা।''

দুয়ো ভাতৃয়ে দেউতাকৰ সিদ্ধান্ত মানি ল'লে। সৰস্বতীও বৰ সুখী হ'ল।

*–সন্তোষ*

# CHANDAMAMA'S Ramayana

## An Epic Journey




**Follow the epic journey of Prince Rama, from his birth to his exile, from the abduction of his wife, Sita, to his great war with the Asura King, Ravana, in Chandamama's latest offering: Ramayana - An Epic Journey.**

**Price: Rs 449/-**

**To place an order, go to www.chandamama.com**

**Chandamama's Ramayana is available only in English at all leading book shops.**

Subscribe

# Chandamama

Because stories make the world go round....

**Avail the loyalty bonus!**

Chandamama Subscribers will get flat 10% off on subscription renewals! (All Editions)

Chandamama is monthly magazine available in English and 11 regional languages.
Junior Chandamama is for children above 4 years and is available only in English.

I want to subscribe to / gift / renew subscription for the following editions of Chandamama: (Tick whichever is applicable):

☐ English ☐ Assamese ☐ Bengali

☐ Kannada ☐ Hindi ☐ Gujarati

☐ Malayalam ☐ Marathi ☐ Oriya

☐ Sanskrit ☐ Tamil ☐ Telugu

☐ Junior (Only in English)

| Take Your Pick! | 1 Year | 2 Year | 3 Year | 4 Year | 5 Year |
|---|---|---|---|---|---|
| English (₹ 30/- per copy) | ₹ 360 | ₹ 645 | ₹ 915 | ₹ 1150 | ₹ 1350 |
| You Save | | ₹ 75 | ₹ 165 | ₹ 290 | ₹ 450 |
| Junior (₹ 20/- per copy) | ₹ 240 | ₹ 430 | ₹ 610 | ₹ 765 | ₹ 900 |
| You Save | | ₹ 50 | ₹ 110 | ₹ 195 | ₹ 300 |
| Regional (₹ 25/- per copy) | ₹ 300 | ₹ 540 | ₹ 765 | ₹ 960 | ₹ 1125 |
| You Save | | ₹ 60 | ₹ 135 | ₹ 260 | ₹ 375 |

**Annual Subscription Overseas:** US $40 for English Chandamama, US $30 for Regional Languages, US $25 for Junior Chandamama (including shipping and handling charges) by air mail.

Name:.....

Address:.....

.....

City:..... State:..... Pin:.....

Date of Birth:..... Sex:..... Telephone:..... Mobile:.....

Email:..... Subscription Number (for renewals):.....

Gift Subscription to the following address:.....

.....

.....

Enclosed Cheque / DD* for Rupees..... Cheque / DD No.:.....

favouring Chandamama India Ltd on..... bank.

*Your subscription will commence in 6 weeks.

Please mail the subscription form to: **Chandamama India Ltd.**, P. O. Box No.: 19407, Mumbai-400093.

Email: customerhelp@chandamama.com | You can also subscribe online at: **www.chandamamashop.com**

**Conditions apply

## বিক্রম–বেতাল

# জয়ন্তৰ চিকিৎসা

প্ৰতিজ্ঞাবদ্ধ বিক্ৰমাদিত্য পুনৰ সেই গছজোপাৰ ওচৰলৈ গ'ল, গছৰপৰা শটো নমাই কান্ধত তুলি ল'লে আৰু যথাৰীতি শ্মশান অভিমুখে গৈ থাকিল। তেতিয়া শৰ ভিতৰত থকা বেতালে মাত লগালে, ''ৰাজন, মই নাজানো কি ন্যায় ৰক্ষা কৰিবলৈ তুমি এনে কঠোৰ পৰিশ্ৰম কৰিছা। শান্তি তথা সুৰক্ষা নিশ্চিত কৰাত ন্যায়াধিকাৰী সকলৰ গুৰুত্বপূৰ্ণ ভূমিকা থাকে। কিন্তু দেখা যায় কেতিয়াবা পৰোপকাৰী, নিস্বাৰ্থ, নিৰপেক্ষ ন্যায়াধিকাৰীয়েও নিৰপৰাধী লোকক দণ্ড দিয়ে। এনে ন্যায়াধিকাৰীসকলৰ বিষয়ত শাসকসকলে সাৱধানতা অৱলম্বন কৰা উচিত। তোমাক সাৱধান কৰি দিবলৈকে মই এনে এজন ন্যায়াধিকাৰীৰ কাহিনী ক'ব খুজিছো। দোষীয়ে নিজৰ অপৰাধ স্বীকাৰ কৰাৰ পাছতো সত্যদীপ নামৰ এই ন্যায়াধিকাৰীজনে দোষীক এৰি দি এজন নিৰ্দোষীকাহে কাৰাগাৰত নিক্ষেপ কৰিছিল। তোমাৰ যাত্ৰাৰ ভাগৰ দূৰ কৰিবলৈকে কাহিনীটো শুনা।'' এইবুলি বেতালে নিজৰ কাহিনী আৰম্ভ কৰিলে।

ৰমাকান্ত চক্ৰপুৰীৰ নিবাসী আছিল। জয়ন্ত আছিল তেওঁৰ মৰমৰ পুতেক। মাক দেউতাকে তাক বৰ মৰমত ডাঙৰ দীঘল কৰিছিল। প্ৰয়োজনতকৈ অধিক মৰম পাই সি বিলাসী হৈ উঠিছিল। পঁচিছ বছৰ বয়সতে তাৰ ছাল সোতোৰা সোতোৰ হ'ল আৰু চুলি বগা হৈ আহিল।

তাকে দেখি মাক দেউতাকে বৰ ভয় খালে আৰু তাক বৈদ্যৰ ওচৰলৈ লৈ গ'ল। বৈদ্যই পৰীক্ষা কৰি উঠি ক'লে, ''মই ধৰিব পৰা নাই আচলতে এই বেমাৰটোনো কি? সেয়েহে মই ইয়াৰ চিকিৎসা কৰিব নোৱাৰিম।''

সেই সময়তে গুৰুপাদ মানৰ এজন মুনি সেই গাঁৱলৈ আহিছিল। গাঁৱৰ বহুতো মানুহে নিজ নিজ সমস্যাৰ কথা মুনিক জনাইছিল। মুনিয়ে সিবোৰৰ সমাধানৰ পথ দেখুৱাইছিল। ৰমাকান্তও জয়ন্তক লৈ সেই মুনিৰ ওচৰলৈ আহিল। সেই সময়ত জয়ন্তৰ অৱস্থা বৰ পুতৌলগা হৈছিল। কাৰো সহায় নোহোৱাকৈ সি আনকি চলা ফিৰাও কৰিব নোৱাৰিছিল। মুনিয়ে তাৰ অৱস্থা দেখি দয়া দেখুৱালে আৰু ক'লে, ''মই এটা মন্ত্ৰ শিকাই দিম। ওচৰৰ এখন জংঘললৈ গৈ তুমি এই মন্ত্ৰ জপ কৰি তপস্যা কৰিব লাগিব। তেতিয়া অশ্বিনী দেৱতা প্ৰত্যক্ষ হ'ব আৰু তেওঁ তোমাক বৈদ্য শাস্ত্ৰৰ ৰহস্যৰ কথা ক'ব। সেই সহায় লৈ নিজৰ ৰোগৰ চিকিৎসা কৰা। ইয়াৰ পাছত তুমি বৈদ্য বৃত্তি গ্ৰহণ কৰি পৰোপকাৰ কৰা।'' এইবুলি মুনিয়ে জয়ন্তক মন্ত্ৰটো শিকাই দিলে।

মুনিয়ে কোৱা মতে জয়ন্ত ওচৰৰে এখন জংঘললৈ গ'ল। লগত তেওঁ সমীৰ নামৰ এজন বনকৰা ল'ৰাক লৈ গ'ল। সি মালিকৰ প্ৰয়োজনসমূহ পূৰণ কৰি তেওঁৰ সেৱা কৰিবলৈ ধৰিলে। জয়ন্তই মুনিৰপৰা শিকা মন্ত্ৰ জপ কৰি শ্ৰদ্ধাপূৰ্বক তপস্যা কৰিবলৈ ধৰিলে। এইদৰে ছমাহ সময় পাৰ হৈ গ'ল।

এদিন অশ্বিনী দেৱতা প্ৰত্যক্ষ হ'ল আৰু জয়ন্তক এখন তালপত্ৰৰ গ্ৰন্থ দি ক'লে, ''মই তোমাৰ তপস্যাত সন্তুষ্ট হৈছো। সেয়েহে মই এই বৈদ্যগ্ৰন্থ তোমাক দিছো। এইখন গ্ৰন্থ পঢ়িলে কেৱল তোমাৰ ৰোগৰ বিষয়েই নহয়, বৰঙ অনেক ৰোগৰ চিকিৎসা পদ্ধতিৰ বিষয়ে জ্ঞান পাব পাৰিবা। কিন্তু মনত ৰাখিবা, এই দৰববোৰ সেই সকলৰহে কামত আহিব যি সঁচা কথা ক'ব আৰু যি নিজৰ ভুলৰ বাবে অনুতাপ কৰিব। চিকিৎসা আৰম্ভ বাৰাৰ তিনি মাহৰ ভিতৰতে তুমি আৰোগ্য হৈ উঠিবা। কিন্তু তেতিয়ালৈকে তুমি পৰিয়ালৰ কাকো লগ ধৰা অনুচিত।'' এইবুলি কৈ দেৱতা অদৃশ্য হ'ল।

জয়ন্তই প্ৰয়োজনীয় জ্ঞান লাভ কৰিলে। সমীৰক কৈ তেওঁ জংঘলৰপৰা বনৌষধি অনাইছিল আৰু নিজৰ বাবে প্ৰয়োজনীয় ঔষধ তৈয়াৰ কৰিছিল।

এদিন সমীৰে জংঘলত বনৌষধি বুটলি থাকোতে, এজন হৃষ্ট পুষ্ট মানুহে তাক দেখিলে আৰু ক'লে, ''মোক যদি তুমি চক্ৰপুৰীত থৈ আহিব পাৰা, মই তোমাক এশ সোণৰ মুদ্ৰা দিম।''

মানুহজনৰ কান্ধত ওলমি আছিল এটা মোনা। সমীৰে তেওঁক ক'লে, ''ওচৰতে থকা চক্ৰপুৰীলৈ নিজেইনো নাযায় কিয়? জংঘল পাৰ কৰিবলৈকে আপোনাক এজন মানুহ লাগে কিয়?''

''মোৰ দৃষ্টি ধূসৰ হৈ আহিছে। ভালকৈ দেখা নোপোৱা হৈছো।'' মানুহজনে ক'লে।

''ঠিক আছে, মোৰ লগত ব'লক। মোৰ মালিকে যিকোনো ৰোগৰ চিকিৎসা কৰিব পাৰে।'' এইবুলি কৈ সমীৰে মানুহজনক জয়ন্তৰ আশ্ৰমলৈ লৈ গ'ল।

জয়ন্তই ক'লে, ''এটা বড়ি খালেই তোমাৰ বেমাৰ দূৰ হ'ব। কিন্তু তাৰ আগতে তুমি নিজৰ বিষয়ে সঁচা কথা ক'ব লাগিব। এতিয়ালৈকে তুমি যি যি অপৰাধ কৰিছা, সেই কথা তুমি অকপটে স্বীকাৰ কৰিব লাগিব।''

মানুহজনে নিজৰ বিষয়ে সকলো কথা ক'লে, তেওঁৰ নাম আছিল প্ৰতীক। তেওঁ সত্যপুৰ নগৰত বাস কৰা এটা চোৰ আছিল। সি কাহানিও ধৰা পৰা নাছিল আৰু নগৰৰ এজন সম্ভ্ৰান্ত মানুহ হিচাপে পৰিচিত হৈছিল। সেয়েহে নগৰৰ এজন দৰিদ্ৰ খেতিয়কে নিজৰ কন্যা গৌৰীক প্ৰতীকলৈ বিয়া দিছিল। বিয়াৰ পাছত গৌৰীয়ে যেতিয়া গম পালে যে তাইৰ

স্বামী এটা গভাইত চোৰ, তেতিয়া তাই প্ৰতীকক ভৰ্ৎসনা কৰিলে। সেয়েহে প্ৰতীকে চুৰ কৰিবলৈ এৰি দি বেপাৰ আৰম্ভ কৰিলে। বেপাৰত বৰ বেছি লাভ হোৱা নাছিল যদিও কোনো অসুবিধা নোহোৱাকৈ তেওঁৰ জীৱন চলি গৈছিল। এদিন হঠাতে তেওঁৰ দৃষ্টিশক্তি কমি আহিল আৰু বস্তুবোৰ তেওঁ স্পষ্টকৈ দেখা নোপোৱা হ'ল। তেওঁ এজন বৈদ্যৰ ওচৰলৈ গ'ল। পৰীক্ষা কৰি উঠি বৈদ্যই তেওঁক কেইটামান বড়ি দি ক'লে, ''এইবোৰ তুমি খোৱা। কেইদিনমানৰ ভিতৰতে ফল পাবা। অৱশ্যে কেইদিনমানৰ পিছত তুমি অন্ধ হৈ যোৱাৰ আশংকা আছে। এতিয়া উপাৰ্জন কৰা ধনৰাশি সুৰক্ষিত ৰাখিবা। সময়ত সেই জমা ধনৰাশি তোমাৰ কামত আহিব।''

প্ৰতীকে এই কথা নিজৰ পত্নীক কোৱাত পত্নীয়ে ক'লে, ''আমি সন্মানেৰে জীয়াই আছো। ধন গোটাব লাগে যদি তুমি চুৰি কৰিব লাগিব, যাতে আগলৈ আমি খাই বৈ থাকিব পাৰো, আৰু তুমি অন্ধ হোৱাৰ আগতেই এই কাম হ'ব লাগিব।''

ভৱিষ্যতৰ কথা ভাবি প্ৰতীকৰ বৰ ভয় লাগিল। উপায়ন্তৰ হৈ প্ৰতীকে পুনৰ চুৰি কৰিবলৈ ল'লে। এসপ্তাহৰ ভিতৰতে বহুখিনি ধন আৰু গহনা তেওঁৰ হাতলৈ আহিল। ন্যায়াধিকাৰী সত্যদীপে অভিযোগ পালে যে সত্যপুৰ নগৰত চুৰিৰ ঘটনা খুব বাঢ়িব লাগিছে। সত্যদীপৰ সন্দেহ হ'ল যে সমাজত সন্মানীয় আসনত থকা কোনোবা ব্যক্তিৰদ্বাৰা এই চুৰিকাৰ্য সংঘটিত হৈছে। তেওঁ ঘোষণা কৰিলে নগৰৰ আটাইবোৰ ডাঙৰ মানুহৰ ঘৰত তালাচী চলোৱা হ'ব। সমগ্ৰ নগৰতে সত্যদীপৰ এজন পৰোপকাৰী, সত্যৱান আৰু নিৰপেক্ষ ন্যায়াধিকাৰী হিচাপে সুনাম আছিল।

এই ঘোষণা শুনি প্ৰতীকে বৰ ভায় খালে। সেয়েহে পত্নীৰ পৰামৰ্শ অনুসাৰে তেওঁ গহনাবোৰ বেচি দিবলৈ জংঘল হৈ চক্ৰপুৰীলৈ ওলাল। জংঘলৰ মাজতে তেওঁৰ দৃষ্টি ধূসৰ হৈ আহিল। তেতিয়াই তেওঁ সমীৰক দেখা পালে।

প্ৰতীকে গোটেই কথাখিনি কৈ ক'লে, ''মই যদি মোৰ দৃষ্টি শক্তি ঘূৰাই পাঁও, মই আৰু কেতিয়াও চুৰি নকৰো।''

জয়ন্তই তেওঁক এটা বড়ি দিলে, যিটো খোৱাৰ লগে লগে তেওঁ দৃষ্টিশক্তি ঘূৰাই পালে।

তেওঁ জয়ন্তক প্ৰণাম কৰিলে আৰু ক'লে, ''স্বামী, আপুনি ভগৱানৰ সমকক্ষ, শক্তিমান। মই সত্যপুৰলৈ ঘূৰি যাম আৰু নিজৰ ভুল স্বীকাৰ কৰি যাৰ যাৰ গহনা



তেওঁলোকক ঘূৰাই দিম। ইয়াৰ আগতে মই চক্ৰপুৰীলৈ যাব লাগিব আৰু মোৰ খুড়াক দেখা কৰি আহিব লাগিব, তেওঁ এতিয়া খুবেই অসুস্থ। খুড়ায়ো মোক লগ পাব খুজিছে আৰু মই ঘূৰি নহালৈকে এই গহনা আৰু ধনৰাশি আপোনাৰ ওচৰতে নিৰাপদে থাকক। মই ঘূৰি আহি চমজি লম।''

এনেতে, সত্যপুৰৰ ডাঙৰ ডাঙৰ মানুহবোৰে এইবুলি উৰাবাতৰি উলিয়ালে যে আচল চোৰ জংঘলত ঘূৰি আছে কাৰণ তেওঁ নিৰিচাৰে যে তেওঁৰ ঘৰত তালাচী চলক। ইয়াকে বিশ্বাস কৰি সত্যদীপে নগৰত তালাচী চলাবলৈ এৰি কেইজনমান সৈনিক লগত লৈ জংঘলত প্ৰবেশ কৰিলে। তাত তেওঁলোকে জয়ন্তৰ আশ্ৰমত গহনাখিনি উদ্ধাৰ কৰিলে। জয়ন্তই সত্যদীপক জনালে গহনাখিনি তেওঁৰ ওচৰলৈ কেনেকৈ আহিল আৰু লগতে এইটোও জনালে অশ্বিনী দেৱতাৰ অনুগ্ৰহত তেওঁ কেনেকৈ বৈদ্যশাস্ত্ৰ আয়ত্ব কৰিলে। কিন্তু অনেক জেৰাৰ পাছতো জয়ন্তই প্ৰতীকৰ নাম নক'লে বা তেওঁৰ বেমাৰৰ কথা নক'লে।

সত্যদীপে এইবোৰ কথা বিশ্বাস নকৰিলে। জয়ন্ত আৰু সমীৰক কাৰাৰুদ্ধ কৰা হ'ল। তেওঁলোকৰ চোৱা চিতাৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা কৰা হ'ল। ইয়াৰ পিছত সত্যদীপে জয়ন্তৰ কাহিনী ঘোষণা কৰি জনালে যে যিসকল লোকে দীৰ্ঘদিনীয়া অসুস্থতাত ভুগি আছে তেওঁলোকে কাৰাগাৰলৈ

আহি চিকিৎসা ল'ব পাৰে।

এই ঘোষণা শুনি যি সকল কাৰাগাৰলৈ গৈ নিজৰ ভুল স্বীকাৰ কৰিলে তেওঁলোকে জয়ন্তৰ চিকিৎসা লাভ কৰি সুস্থ হৈ উঠিল। কিন্তু বিশেষ কথা এইয়ে যে যিসকল ৰোগীয়ে নিজৰ অপৰাধ স্বীকাৰ কৰিছিল তেওঁলোকৰ কথা জয়ন্তই ৰাজহুৱা কৰা নাছিল।

কেইদিনমানৰ পাছত প্ৰতীক চক্ৰপুৰীৰ পৰা ঘূৰি আহিল আৰু সত্যদীপক লগ ধৰিলেগৈ। নিজৰ অপৰাধ স্বীকাৰ কৰি তেওঁ বিনতি জনালে যে জয়ন্তক যাতে মুকলি কৰি দিয়া হয় আৰু তেওঁকাহে কাৰাৰুদ্ধ কৰা হয়।

সত্যদীপে ক'লে, ''তুমি তোমাৰ অপৰাধ স্বীকাৰ কৰিলা, ইয়াৰ অৰ্থ হ'ল তোমাৰ পৰিৱৰ্তন আহিছে, সেয়েহে তোমাক মই কাৰাৰুদ্ধ নকৰো। কিন্তু কেইদিনমানলৈ মই জয়ন্তক কাৰাগাৰত বন্দী কৰি ৰাখিম।''

এই কাহিনী কৈ উঠি বেতালে ক'লে, ''প্ৰতীক দোষী বুলি জনাৰ পাছতো সত্যদীপে তেওঁক কাৰাৰুদ্ধ নকৰিলে। জয়ন্ত নিৰ্দোষ বুলি জানিও তেওঁক আৰু কেইদিনমানলৈ কাৰাগাৰত ৰখাৰ সিদ্ধান্ত লোৱা হ'ল। এই সিদ্ধান্ত অন্যায় নাছিলনে? এই সিদ্ধান্তই ইয়াকে প্ৰমাণ নকৰেনে যে সত্যদীপ ক্ৰূৰ স্বভাৱৰ আৰু তেওঁ অন্যায়ৰ সমৰ্থক? এনে এজন সত্যদীপক পৰোপকাৰী আৰু সত্যবাদী ন্যায়াধিকাৰী বুলি ভ্ৰাটো মানুহৰ অজ্ঞানতাৰ পৰিচায়ক নাছিলনে? মোৰ এইবোৰ সন্দেহৰ সমিধান তুমি যদি জানিও নিদিয়া তেন্তে তোমাৰ মূৰ ফাটি চিৰাচিৰ হ'ব।''

তেতিয়া বিক্ৰমাদিত্যই ক'লে, ''দোষীসকলক কাৰাগাৰত নিক্ষেপ কৰা হয়, তেওঁলোকক শুদ্ধ পথলৈ আনিবলৈ, তেওঁলোকৰ স্বভাৱত পৰিৱৰ্তন আনিবলৈ। কিন্তু প্ৰতীকৰ যিহেতু তেতিয়ালৈ পৰিৱৰ্তন হৈছিলেই গতিকে তেওঁক কাৰাগাৰত নিক্ষেপ কৰাৰ কোনো যুক্তি থাকিব নোৱাৰে। এতিয়া আহিল জয়ন্তৰ কথা। ন্যায়াধিকাৰীয়ে তেওঁৰ প্ৰতি কোনো অন্যায় কৰা নাছিল, বৰঞ তেওঁৰ উপকাৰহে কৰিছিল। তেওঁক সন্মান দিছিল। কেৱল নামতহে জয়ন্তক কাৰাৰুদ্ধ কৰা হৈছিল, কাৰাগাৰত তেওঁৰ বাবে সকলো সা-সুবিধাৰ ব্যৱস্থা কৰা হৈছিল। ন্যায়াধিকাৰীয়ে জয়ন্তৰ অদ্ভুত চিকিৎসা পদ্ধতিৰ বিষয়ে ঘোষণা কৰোৱাইছিল। জয়ন্তৰ হাতেৰে চিকিৎসা পাব লাগিলে অপৰাধীয়ে নিজৰ অপৰাধ স্বীকাৰ কৰিব লাগিব, যি অপৰাধৰ কথা তেওঁৰ বাহিৰে আন কোনেও নাজানে। এনে অপৰাধীয়ে পুনৰ অপৰাধ নকৰিব। তেনে অপৰাধীৰ কোনো শাস্তিও নহ'ব, কাৰণ তেওঁৰ এতিয়া পৰিৱৰ্তন হৈছে। ন্যায়াধিকাৰীয়ে বিচাৰিছিল কেইদিনমানৰ বাবে হ'লেও জয়ন্ত কাৰাগাৰতে থাকক যাতে সত্যপুৰৰ অপৰাধীসকলক তেওঁ শুদ্ধ পথলৈ আনিব পাৰে, তেওঁলোকৰ জীৱনলৈ পৰিৱৰ্তন আনিব পাৰে। সেয়েহে সত্যদীপে জয়ন্তক বন্দী কৰি ৰাখিলে। লগতে জয়ন্ত সত্যপুৰত থকালৈকে নিয়ম ভংগ নহওক, এই সময়ছোৱাত তেওঁ যাতে মাক দেউতাক বা আত্মীয় কুটুম্বক লগ পাব নোৱাৰে। সেইটো নিশ্চিত কৰিব খোজা হৈছিল। এইবোৰ কাৰণতেই ৰাইজে কয় সত্যদীপ পৰোপকাৰী, নিৰপেক্ষ, সত্যবাদী আৰু সমৰ্থনযোগ্য।''

ৰজাৰ মৌনতা ভংগ কৰাত সফল হৈ বেতালে শটো লৈ অদৃশ্য হৈ গ'ল আৰু পুনৰ সেই গছজোপাত ওলমি থাকিলগৈ।

*– বসুন্ধৰাৰ ৰচনাৰ আলম লৈ*

# দুই ভগ্নীৰ কাহিনী

– পশ্চিমবংগৰ এটা লোককাহিনী –

দুর্গাপুৰত এজন ব্রাহ্মণ তেওঁৰ দুগৰাকী কন্যা উমাৰী আৰু জুমাৰীৰ সৈতে বসবাস কৰিছিল। তেওঁলোক বৰ দৰিদ্র আছিল যদিও তেওঁ ক'তো কাম কৰিবলৈ নগৈছিল। ভিক্ষাবৃত্তিক তেওঁ লাজৰ কথা বুলি ভাবিছিল।

এদিন তেওঁ অলপ চাউলৰ গুৰি আৰু ৰুকা নাৰিকল পালে। তেওঁৰ পত্নীয়ে ক'লে যে সেইখিনিৰে তেওঁ পিঠা বনাব। চাউলখিনি খুন্দি তেওঁ চচপেনত ভাপত দি পিঠা বন্ধাবলৈ ধৰিলে। চচপেনত পানী উতলাৰ শব্দ শুনি হাতত এডাল সূতা লৈ ব্রাহ্মণ পাকঘৰলৈ আহিল। পত্নীয়ে প্রতিবাৰতে একোটাকৈ পিঠা উলিয়াই আনোতে তেওঁ সূতাডালত একোটাকৈ গাঠি দি যায়। তেওঁ যেতিয়া দেখিলে যে পত্নীয়ে পিঠা বনোৱা চচপেনটো ধুবলৈ নিছে তেওঁ গম পালে যে পিঠা বনোৱা কাম শেষ হৈছে।

গা ধুই উঠি তেওঁ বহি ল'লে, ''এতিয়া আনা পিঠা'' তেওঁ পত্নীক ক'লে। এটা পিঠা খাই উঠি তেওঁ সূতাডালৰ এটা গাঠি খুলি দিলে। দ্বিতীয় এখন পিঠা খাই তেওঁ দ্বিতীয় গাঠিটো খুলি দিলে। এই কাম তেতিয়ালৈকে চলি থাকিল যেতিয়া তেওঁৰ পত্নীয়ে ক'লে। ''পিঠা শেষ হৈছে। আপোনাক আৰু পিঠা দিব নোৱাৰিম।''

ব্রাহ্মণে দেখিলা সূতাডালত তেতিয়াও দুটা গাঠি নোখোলাকৈ আছে। ''দুখন পিঠা গ'ল ক'লৈ?'' তেওঁ পত্নীক সুধিলে, ''তুমিয়েই খালা যেন পাইছো ।''

''নাই, নাই! মই খোৱা নাই। ছোৱালী দুজনীৰ ভোক লাগিছিল, গতিকে মইয়ে সিহঁতক একোখনকৈ পিঠা খাবলৈ দিলো।''

পত্নীয়ে ভোকেৰে থাকিব লগীয়া হোৱা বুলি জানি

ব্রাহ্মণৰ বেয়া লাগিল। তেওঁ ছোৱালী দুজনীক উপযুক্ত শাস্তি দিয়াৰ কথা ভাবিলে। তাৰপাছত তেওঁ শুবলৈ গ'ল।

পিছদিনা ৰাতিপুৱা, তেওঁ ছোৱালীদুজনীক জগাই দিলে, ''আজি মই তোমালোকক দদাইদেউৰ ঘৰলৈ লৈ যাম। সোনকালে সাজু হোৱাগৈ।''

মাকৰপৰা বিদায় লৈ ছোৱালী দুজনীয়ে দেউতাকৰ লগত যাত্রা আৰম্ভ কৰিলে। বহুদূৰ খোজকাঢ়ি যোৱাৰ পাছত তেওঁলোক এখন হাবি পালেগৈ। ছোৱালীদুজনীয়ে অলপ সময় জিৰাব খুজিলে। তেওঁলোক এজোপা আঁহত গছৰ তলত বাগৰ দিলে। ছোৱালীদুজনী গভীৰ নিদ্রাত পৰাৰ পাছত ব্রাহ্মণে কেইটামান শিল গাৰুৰ দৰে থৈ অলপ পানীত অলপ সেন্দূৰ মিলাই দিলে আৰু সেই ৰঙা পানীখিনি শিলবোৰৰ চাৰিওফালে

ছটিয়াই দিলে আৰু হাতত সাৰে ভৰিত সাৰে সেই ঠাইৰপৰা গুচি আহিল।

উমাবী আৰু জুমাবী সাৰ পাই মানে গধূলি হৈছিল। তেওঁলোকে শিলবোৰৰ ওচৰত তেজৰ দৰে কিবা পৰি থকা দেখিলে, ''দেউতাক নিশ্চয় কোনোবা বনৰীয়া জন্তুৱে হত্যা কৰিলে।'' জুমাবীয়ে ক'লে।

''কিন্তু এইবোৰ তেজ নহয় জুমাবী।'' উমাবীয়ে ক'লে, ''দেউতাই আমাক ইয়াতে এৰি থৈ ক'ৰবালৈ গুচি যোৱা নাইতো?''

ইজনীয়ে সিজনীক সাবটি পুৱাৰ সূৰুৱৰ হেঙুলীয়া আভালৈ বাট চালে। তাৰপিছত দুয়ো খোজ কাঢ়িবলৈ ধৰিলে। এখন গাঁও গৈ পোৱাত দুয়ো স্বস্তিৰ নিশ্বাস পেলালে। তেওঁলোকে দেখা পালে গাঁওখনৰ বাট পথবোৰ সজাই পৰাই তোলা হৈছে ।

এটা ঘৰৰপৰা তেওঁলোকে দেখিলে এগৰাকী বুঢ়ী মানুহ ওলাই আহিছে। ''আজি কাৰোবাৰ বিয়া নেকি?'' উমাবীয়ে সুধিলে।

''নহয় আইজনী, এতিয়া পূজাৰ সময় নহয় জানো!'' বৃদ্ধাই ক'লে।

''কিন্তু আইতা, দুর্গা পূজাতো কেতিয়াবাই শেষ হ'ল।'' উমাবীয়ে বৃদ্ধাক মনত পেলাই দিলে।

''নিশ্চয় দীপাৱলীৰ সময় হৈছে,'' জুনাবীয়ে ক'লে।

''নহয়, মোৰ আইজনীহঁত,'' বুঢ়ীয়ে ক'লে। ''দীপাৱলীও শেষ হ'ল। আমি সূর্য উৎসৱ পালন কৰিছো। সুস্বাস্থ্য আৰু সমৃদ্ধি কামনা কৰি আমি সূর্য দেৱতাক উপাসনা কৰো। কিন্তু মোক কোৱাচোন তোমালোকনো কোন?''

''আমি দুর্গাপুৰত থাকো। আমাৰ দেউতাই আমাক দদাইদেউৰ ঘৰলৈ লৈ আনিছিল। বাটতে আমাৰ টোপনি আহিল। সাৰ পাই উঠি আমি দেউতাক ক'তো বিচাৰি নাপালো। আইতা, দুর্গাপুৰলৈ ঘূৰি যোৱাৰ ৰাস্তাও আমি চিনি নাপাঁও।''

''চিন্তা নকৰিবা। সদ্যহতে তোমালোক মোৰ লগতে থাকিব পাৰিবা।'' বৃদ্ধাই ক'লে, ''দুয়ো গৈ সৌ পুখুৰীটোত গা ধুই আহাগৈ। তাৰপাছত সূর্য

দেৱতাক আৰাধনা কৰিব লাগিব।''

বৃদ্ধাই দুয়োকে অলপ কাপোৰ দিলে আৰু দুয়ো পুখুৰীটোলৈ গ'ল। কিন্তু পুখুৰীটোত ভৰি দিবলৈ লঅওঁতেই পুখুৰীৰ পানীখিনি অদৃশ্য হৈ গ'ল।

ছোৱালীদুজনী বৃদ্ধাৰ ওচৰলৈ ঘূৰি গৈ এই আচৰিত ঘটনাৰ কথা ক'লে, ''এইটো এটা বিশেষ পুখুৰী। এই শুকান ঘাঁহখিনি লোৱা আৰু পুখুৰীটোত বাকি দিয়াগৈ। দেখিবা পানী ওপৰলৈ উঠি আহিছে।''

ছোৱালীদুজনীয়ে পবিত্ৰ ঘাঁহখিনি নি পুখুৰীটোত বাকি দিলেগৈ। কি আচৰিত কথা, পানীখিনি ওপৰলৈ উঠিল। সূৰ্যটো উজ্জ্বল হৈ জিলিকি উঠিল আৰু উমাৰী আৰু জুমাৰীয়ে ভাবিলে যে তেওঁলোকৰ প্ৰতি সূৰ্যদেৱতা প্ৰসন্ন হৈছে। চকুৰ পচাৰতে, পুখুৰীটো পানীৰে ভৰি পৰিল আৰু দুয়ো হেঁপাৰ পলোৱাই গা ধূলে। তেওঁলোকক সূৰ্য দেৱতাক আৰাধনা কৰিবলৈ কোৱা হ'ল। দুয়ো কিছুসময় প্ৰাৰ্থনা কৰিলে। তাৰপিছত দুয়োকে ভাত আৰু ফল মূল খাবলৈ দিয়া হ'ল।

বৃদ্ধাৰ লগত থকা সময়ছোৱাত দুয়ো ভগ্নীয়ে গাঁওৰ আন মানুহৰ সৈতে ঘনিষ্ঠতা গঢ়ি তুলিলে। এদিন সেই ৰাজ্যৰ যুৱৰাজ আৰু প্ৰধানমন্ত্ৰীৰ পুতেক সেইফালে আহিছিল। চিকাৰ কৰি ঘৰলৈ ওভতাৰ পথত তেওঁলোকৰ পিয়াহ লাগিছিল। ছোৱালীদুজনীক দেখি দুয়ো কুমাৰে তাত ৰৈ পানী খুজিলে। দুয়ো হেপাহ পলোৱাই পানী খালে।

ছোৱালীদুজনীয়ে অতিথি দুজনক জনালে যে তেওঁলোকৰ আইতাক খৰি লুৰিবলৈ গৈছে। তেওঁলোকে দুয়ো অতিথিক অলপ সময় ৰ'বলৈ ক'লে। কিন্তু দুয়ো যুৱকে ক'লে যে তেওঁলোক ৰাতিপুৱাই ওলাই আহিছে আৰু এতিয়া প্ৰাসাদলৈ ঘূৰি যোৱাৰ সময় হৈছে। তেতিয়াহে উমাৰী আৰু জুমাৰীয়ে বুজি পালে যে এই দুই যুৱকনো দৰাচলতে কোন।

কেইদিনমানৰ পাছত, ৰাজপ্ৰাসাদৰপৰা অহা দুজন বাৰ্তাবাহকে বৃদ্ধাৰ ওচৰত দুয়োজনী ছোৱালীৰ বিবাহৰ প্ৰস্তাৱ লৈ আহিল। বৃদ্ধাই বৰ ভাল পালে। তেওঁ ছোৱালীদুজনীৰ লগত কথা পাতিলে। দুয়ো

উৎসাহিত হোৱাৰ কথা। কিন্তু আইতাকক এৰি যাব লাগিব বুলি জানি তেওঁলোকৰ বৰ দুখ লাগিল।

উমাবী ইমানেই আনন্দিত হ'ল যে বিয়াৰ বাবে প্ৰাসাদলৈ যাবলৈ তাইক এখন ৰথ লগা হ'ল। জুমাবী এখন পাল্কীত উঠি গ'ল আৰু তাই লগত পূজাৰ সামগ্ৰীবোৰ লৈ যাবলৈ নাপাহৰিলে কিয়নো তাই সূৰ্য দেৱতাৰ উপাসনা কৰি যাবলৈ ঠিক কৰিছিল।

উমাবীয়ে যিহেতু সূৰ্য দেৱতাক উপাসনা কৰিবলৈ পাহৰিলে সেয়ে তাইৰ যাত্ৰা সুগম হোৱা নাছিল। তাই বহু পলমকৈহে আহি উপস্থিত হ'ল। বিয়া সমধা কৰা হ'ল যদিও দৰা কইনাৰ মাজত পবিত্ৰ মুহূৰ্ত্তত মালা বিনিময় কৰিব পৰা নগ'ল। ৰাণীয়ে এইটো ৰাজখনৰ বাবে অশুভ লক্ষণ বুলি বিবেচনা কৰিলে।

ইফালে প্ৰধানমন্ত্ৰীৰ ঘৰত ধুমধামেৰে বিবাহকাৰ্য সম্পন্ন কৰা হ'ল। জুমাবীৰ কথা মতে তাইৰ স্বামীয়ে তাইৰ গাঁওখনলৈ মিঠাইৰ টোপোলা পঠিয়াই দিলে। বৃদ্ধা আৰু গাঁৱৰ আন মানুহবোৰে ৰজাৰ ঘৰৰপৰা মিঠাইৰ টোপোলা নহা দেখি আচৰিত হ'ল।

এবছৰৰ পাছতো উমাবীয়ে কোনো সন্তান গৰ্ভত ধাৰণ কৰিব নোৱৰাৰ বাবে ৰাণীয়ে যুৱৰাজক ক'লে যে তেওঁৰ পত্নীক যাতে নিজৰ গাঁৱলৈ ঘূৰাই পঠিওৱা হয়। যুৱৰাজে তেওঁৰ বন্ধু মন্ত্ৰীপুত্ৰৰ লগত কথাটো আলোচনা কৰিলে। মন্ত্ৰীপুত্ৰই কথাটো ক'লেগৈ নিজৰ পত্নীক। তেতিয়া সন্তানসম্ভৱা জুমাবীয়ে তেওঁৰ স্বামীক পৰামৰ্শ দিলে যে সন্তান জন্মৰ পাছত, সহায় কৰিবলৈকে বায়েকক যাতে তেওঁৰ ওচৰলৈ লৈ অহা হয়। এইদৰে উমাবী আকৌ এবাৰ ভনীয়েকৰ লগ লাগিল।

দুয়ো ভগ্নীয়ে প্ৰায়েই কথা পাতে কেনেকৈ তেওঁলোক হাবিত হেৰই গৈছিল। কেনেকৈ তেওঁলোক এখন গাঁৱত ডাঙৰ দীঘল হৈছিল। এতিয়া উমাবী আৰু জুমাবীয়ে দুয়ো লগলাগি পৰম ভক্তিৰে সূৰ্যদেৱতাৰ উপাসনা কৰে। কেইদিনমানৰ পাছতে জুমাবীৰ এটি পুত্ৰ সন্তান জন্ম হ'ল আৰু প্ৰধানমন্ত্ৰীৰ ঘৰত উৎসৱৰ আয়োজন কৰা হ'ল। তেওঁৰ পুতেকে সেই উৎসৱলৈ যুৱৰাজকো নিমন্ত্ৰণ কৰা হ'ল।

প্ৰধানমন্ত্ৰীৰ ঘৰত যুৱৰাজে নিজৰ পত্নীক দেখা পালে। উমাবীক দেখি যুৱৰাজৰ বৰ অনুশোচনা হ'ল। তেওঁ উমাবীক ৰাজপ্ৰাসাদলৈ পুনৰ লৈ যাবলৈ ঠিক কৰিলে। যুৱৰাজৰ এই ঘোষণাত প্ৰধানমন্ত্ৰীৰ বাসভৱনত উপস্থিত লোকসকলে হৰ্ষধ্বনি কৰিলে।

উমাবীক লৈ যুৱৰাজ ৰাজপ্ৰাসাদত প্ৰবেশ কৰোতে ৰজা আৰু ৰাণীয়ে বোৱাৰীয়েকক মৰমেৰে আকোৱালি ল'লে, কাৰণ তেতিয়ালৈ সকলোৱে উমাবীৰ অনুপস্থিতিত বৰ দুখ পাই আছিল। বোৱাৰীয়েকক প্ৰাসাদৰপৰা উলিয়াই পঠিয়াব লাগে বুলি পুতেকক দিয়া পৰামৰ্শৰ বাবে ৰাণীয়ে দুখ প্ৰকাশ কৰিলে। উমাবীয়ে গম পালে, জুমাবীৰ লগত প্ৰতিদিন সূৰ্যদেৱতাক আৰাধনা কৰাৰ বাবেই ৰাণীৰ হৃদয়ৰ পৰিৱৰ্তন ঘটিল।

# ৰুটীৰ উৎসৱ

দেৱপুৰ গাঁৱত শিৱদাস নামৰ এজন গৃহস্থী বাস কৰিছিল। তেওঁ প্ৰতি দিনে অন্নদান কৰিছিল। এদিন ৰাতিৰ সময়ত এজনী বুঢ়ী তেওঁৰ ঘৰৰ দুৱাৰমুখলৈ আহিল। শিৱদাসৰ পত্নীয়ে দুৱাৰ খুলি দিলে আৰু সুধিলে, ''কি লাগে?''

বুঢ়ীয়ে ক'লে, ''মই তোমাক লগ পাবলৈ অহা নাই। তোমাৰ স্বামীক মাতি দিয়া।'' শিৱদাসে বুঢ়ীৰ মাত শুনি বাহিৰ ওলাই আহিল। তেওঁ বুঢ়ীক প্ৰণাম কৰি সুধিলে, ''মা তোমাক কি লাগে?''

''তোমাৰ ঘৰলৈ কোনোবা এনেকৈ আহেনে? ভোজন কৰিবলৈ আহিছো।'' বুঢ়ীয়ে ক'লে।

''বৰ ভাল পালো। ভিতৰলৈ আহক মা,'' শিৱদাসে বুঢ়ীক ভিতৰলৈ আহিবলৈ ইংগিত কৰিলে।

''তুমি যদি বিচৰা মই ভোজন কৰিব লাগে তেন্তে তুমি মোক এটা প্ৰতিশ্ৰুতি দিব লাগিব।'' বুঢ়ীয়ে ক'লে। শিৱদাসে সুধিলে, ''কোৱা মা, মই কি কৰো?''

''মই বৰ দুখত পাৰিছো। যেতিয়ালৈকে মনত দুখ থাকে, তেতিয়ালৈকে মই ভোজন কৰিব নোৱাৰো। মোৰ দুখ তুমি যদি নিজৰ কৰি লোৱা তেন্তে মই হাঁহিমুখে ভোজন কৰিব পাৰিম।''

শিৱদাসে তৎক্ষণাৎ ক'লে, ''এই মুহূৰ্ত্ততে তোমাৰ দুখখিনি মই লৈছো। ভিতৰলৈ আহাঁ আৰু ভোজন কৰাহি মা।''

শিৱদাসৰ এই কথাত খুব আনন্দিত হৈ বুঢ়ীয়ে ক'লে, ''তোমাৰ প্ৰতিশ্ৰুতিত মই খুব সন্তুষ্ট হৈছো। এনেকুৱা কিমান লোক আছে, যি আনৰ দুখ নিজৰ কৰি লয়? মই নিশ্চয় তোমাৰ আতিথ্য স্বীকাৰ কৰিম। কিন্তু এটা কথা, মই ভিতৰলৈ নাযাও। ইয়াতেই থাকিম। যোৱা আৰু মোৰ ভোজন লৈ আহাগৈ। আৰু এটা কথা। আজি মোৰ ৰুটী খোৱাৰ ইচ্ছা হৈছে। পাৰা যদি যৱধানৰ ৰুটী লৈ আনা।''

''হয় মা,'' বুলি কৈ শিৱদাস ভিতৰলৈ গ'ল আৰু পত্নীৰপৰা যৱধানৰ ৰুটী বনাই লৈ আহিল। বাহিৰলৈ আহি শিৱদাসে সেই বুঢ়ীক দেখা নাপালে। য'ত তেওঁ বহি আছিল তাত অন্নপূৰ্ণাদেৱীৰ এক প্ৰতিমা দেখা গৈছিল। সেই প্ৰতিমাৰ ওপৰত নাগসৰ্পই ফণা তুলি আছিল।

শিৱদাসে গম পালে, সেই বুঢ়ী আন কোনো নহয়, স্বয়ং অন্নপূৰ্ণাদেৱী। তেওঁৰ আনন্দৰ সীমা নোহোৱা হ'ল। এই খবৰটো গোটেই গাঁৱতে বনজুইৰ দৰে বিয়পি পৰিল। মানুহৰ ভিৰ হ'বলৈ ধৰিলে আৰু তেওঁলোকে দেৱীক দৰ্শন কৰিবলৈ আহিবলৈ ধৰিলে।

তিনি মাহৰ ভিতৰতে সেই গাঁৱত এটা সুন্দৰ মন্দিৰ নির্মাণ কৰা হ'ল আৰু দেৱীৰ প্ৰতিমা তাত প্ৰতিষ্ঠাপিত কৰা হ'ল। যিসকল ভক্ত দেৱীক দৰ্শন কৰিবলৈ আহিছিল, গাঁৱৰ মানুহে তেওঁলোকক আতিথ্য প্ৰদান কৰিছিল। তেওঁলোকে এইবুলি কৈ ৰুটী বিতৰণ কৰিছিল।'' আমি আপোনাৰ আটাইবোৰ কষ্ট মূৰ পাতি লৈছো। আপোনাৰ মংগল হওক।''

তেতিয়াৰেপৰা সেই গাঁৱত প্ৰতি বছৰে ৰুটী উৎসৱ পালন কৰিবলৈ লোৱা হ'ল। যি এই ৰুটী খাইছিল, তেওঁৰ সমস্যা সমাধান হৈছিল আৰু তেওঁ মানসিক শান্তি পাইছিল। এই সুস্বাদু ৰুটীবোৰৰ সোৱাদেই বেলেগ আছিল। মানুহে ক'বলৈ ধৰিলে ৰজাৰ ৰান্ধনিশালতো এনে ৰুটী বনাব পৰা নাযাব।

ৰজয়ো এই খবৰ পালে। ৰজাই এই কথাত আচৰিত হ'ল আৰু তেওঁ নিজৰ মুখ্য ৰান্ধনিক মাতি আনি ক'লে, ''দেৱীপুৰৰ ৰুটী ইমান প্ৰসিদ্ধ হ'ল কেনেকৈ? এবাৰ তালৈ গৈ চাই আহা এই ৰুটী কেনেকৈ বনোৱা হয়।''

'প্ৰভু, ৰুটীৰ সোৱাদ বনাই আনিব নোৱাৰি। এই ৰুটী বনোৱা আৰু খাবলৈ দিয়া মানুহৰ গুণেহে ইয়াক সুস্বাদু কৰে। লগতে যি খায় তেওঁ যদি ভাল হয় তেন্তে এই ৰুটীৰ সোৱাদ আৰু বাঢ়ে।'' ৰান্ধনিয়ে ক'লে।

ৰজাই আচৰিত হৈ সুধিলে, ''তুমি কি ক'ব খুজিছা?''

''মোৰ শৈশৱতে এই সম্পৰ্কীয় এটা ঘটনা ঘটিছিল। অনুগ্ৰহ কৰি শুনক।'' এইবুলি ৰান্ধনিয়ে তেওঁৰ কাহিনী আৰম্ভ কৰিলে।

''মংগাপুৰ, দেৱীপুৰৰ ওচৰৰে এখন গাঁও। মই সেইখন গাঁৱৰে। সেই গাঁৱত শান্তনু নামৰ এটি চোৰ বাস কৰিছিল। চুৰ কৰিয়েই সি জীৱন পাৰ কৰিছিল। কিন্তু তাৰ পত্নী গৌৰীয়ে তাক বাৰে বাৰে কেছিল, ''আৰু কিমানদিন চুৰ কৰি থাকিবা? মোৰ সদায় ভয় লাগে তুমি যদি কেতিয়াবা ধৰা পৰা তেন্তে তোমাৰ কি অৱস্থা হ'ব? চুৰি এৰা আৰু পৰিশ্ৰম কৰি যি পোৱা তাকে লৈ সন্তুষ্ট থাকা।''

শান্তনুৱে এটা কথা জানিছিল যে গৌৰীয়ে তাক খুব ভাল পায়। কেইদিনমানৰ পাছত সি এই বিষয়ে চিন্তা কৰিবলৈ ধৰিলে। তেতিয়া সি গম পালে যে দেৱীপুৰলৈ গৈ ৰুটী খালেই মনৰ শান্তি পোৱা যায়। সি সিদ্ধান্ত কৰিলে এটা ডাঙৰ চুৰি কৰি চুৰি এৰি দিম।

সি সেই দিনাই দেৱীপুৰলৈ বুলি ওলাল। ৰাস্তাত সি মানুহৰ মুখৰপৰা দেৱীপুৰৰ ৰুটীৰ প্ৰশংসা শুনিলে আৰু তাৰ মুখলৈ পানী আহিল। সি মনতে ভাবিলে, ''আজি মোৰ মনোকামনা পূৰ্ণ হ'ব। সুস্বাদু ৰুটী খাম আৰু চুৰি কৰি বহুত বস্তুও পাম।''

সি দেৱীপুৰ গৈ পোৱাৰ লগে লগে সমুখৰপৰা আহি থকা ৰামদাস নামৰ এজন গৃহস্থীয়ে তাক স্বাগতম জনাই ক'লে, ''আজি মোৰ ঘৰলৈ আহি মোৰ আতিথ্য গ্ৰহণ কৰিবনে?'' মানুহজনে তাক তেওঁৰ ঘৰলৈ লৈ গ'ল, তাৰ আদৰ সৎকাৰ কৰিলে আৰু ক'লে, ''আপোনাৰ আটাইবোৰ কষ্ট মই মূৰ পাতি লৈছো। আপোনাৰ মংগল হওক।'' এইবুলি কৈ তেওঁ তাক ৰুটী খাবলৈ দিলে।

শান্তনুৱে মুখত ৰুটী এটুকুৰা ভৰাই আচৰিত হ'ল, কিয়নো সেই ৰুটীখন খুব তিতা আছিল। ৰামদাসে সেই কথা জনা নাছিল। সেয়েহে তেওঁ ক'লে, ''ৰুটী সুস্বাদু হৈছেনে বাৰু? সকলো অন্নপূৰ্ণা দেৱীৰেই মহিমা।''

শান্তনুৱে ৰুটী গিলিবই পৰা নাছিল। কিন্তু কৰে কি? চকু কাণ মুদি ৰুটীখিনি খাই সি তাৰপৰা বাহিৰ ওলাল।

ৰুটী স্বাদযুক্ত নহ'ব পাৰে, কিন্তু ৰামদাসৰ আশীৰ্বাদ যাতে ফলৱতী হয়। মংগল হয় যাতে। এইবুলি ভাবি শান্তনুৱে সেই ৰাতি এজন ধনী মানুহৰ ঘৰত সোমাই চুৰ কৰিবলৈ চেষ্টা কৰিলে। সি ধৰা পৰিল আৰু ধনী মানুহজনৰ ভৃত্যহঁতে তাক উত্তম মাধ্যম দিলে। মাৰৰ কোবত অসহ্য বিষ লৈ সি ঘৰলৈ উভতিল। তাৰ অৱস্থা দেখি গৌৰীয়ে গম পালে আৰু ক'লে, ''কিমান বাৰ যে মই কৈছো। দেখিলা নহয়। মই যি ভয় কৰিছিলো তাকেই হ'ল। যি হ'বলগীয়া আছিল হ'ল। সকলো ভাল হওক, শুভ হওক, এই প্ৰাৰ্থনা কৰি দেৱীপুৰ গৈছিলো আৰু ৰুটী লৈ আহিলো।'' এইবুলি তেওঁ দুখন ৰুটী শান্তনুক দিলে।

''মই নিজেই দেৱীপুৰলৈ গৈছিলো আৰু তাত ৰুটী খালো। ৰুটী ইমানেই তিতা আছিল যে মই খাবই নোৱাৰিলো।'' বিষত কেঁকাই কেঁকাই শান্তনুৱে ক'লে।

''যি ৰুটী আমি সকলোৱে সুস্বাদু পাওঁ সেয়া তোমাৰ তিতা লাগিল কিয়? ইয়াৰ অৰ্থ এইটোৱেই যে দেৱীয়ে তোমাৰ দুৰ্বুদ্ধিৰ কথা জানিব পাৰিলে। এতিয়া মোৰ কথা মন দি শুনা। তুমি চুৰ কৰিবলৈ নেৰিলে মই আত্মহত্যা কৰিম।'' গৌৰীয়ে চকুপানী টুকি ক'লে।

''এনেকুৱা নকৰিবা গৌৰী। আগলৈ চোৰ নকৰো।'' তাৰ পিছত সি শপত খালে, কিন্তু তাৰ সন্দেহ হ'ল যি ৰুটী সকলোৱে স্বাদযুক্ত পায় তাৰ তিতা লাগিল কিয়? সি কথাটো গৌৰীক ক'লে। তেতিয়া গৌৰীয়ে ক'লে, ''এই গোটেই বছৰ চুৰ নকৰিবা। এজন ভাল মানুহৰ জীৱন কটোৱা। তাৰপিছত দেখিবা, দেৱীৰ ৰুটী কিমান সুস্বাদু।''

সেইদিন ধৰি শান্তনুৱে মজদুৰী কৰি দিন কটাবলৈ ধৰিলে। কেতিয়াবা চুৰ কৰিবলৈ মন গ'লেও বৰ কষ্ট কৰি নিজকে নিয়ন্ত্ৰণ কৰিছিল আৰু। এবছৰৰ পিছত পত্নীক লৈ দেৱীপুৰলৈ গ'ল আৰু ৰুটী উৎসৱত ভাগ ল'লেগৈ। এখন ৰুটী মুখত লৈয়েই তাৰ বৰ সোৱাদ লাগিল তাৰ চকুপানী ওলাল। সি দেৱীৰ মন্দিৰলৈ গ'ল আৰু হাতযোৰ কৰি ক'লে, ''ক্ষমা কৰা মা, এই জনমত মই আৰু কেতিয়াও চুৰি নকৰো।''

স্বামীৰ পৰিৱৰ্তন দেখি গৌৰী বৰ সুখী হ'ল। দুবছৰৰ ভিতৰতে সিহঁতে খেতিৰ মাটি কিনিলে আৰু এটা আৰামৰ জীৱন কটাবলৈ ধৰিলে।

শান্তনুৰ কাহিনী শুনি ৰজাই প্ৰতিজ্ঞা কৰিলে দেৱীপুৰলৈ গৈ তেওঁও অন্নপূৰ্ণা দেৱীৰ মন্দিৰ দৰ্শন কৰিব। ৰজাই পৰিয়াল লৈ তালৈ গ'ল আৰু দেৱীক প্ৰাৰ্থনা কৰিলে আৰু প্ৰজাৰ সুখ কামনা কৰি আশীৰ্বাদ বিচাৰিলে। মন্দিৰৰপৰা বাহিৰ ওলায়েই তেওঁক এজন দুখীয়া খেতিয়কে ৰুটী দিলে। সেই ৰুটী খাই ৰজা মুগ্ধ হ'ল। আনৰ কষ্ট মূৰ পাতি লোৱা দেৱীপুৰৰ প্ৰজাৰ যাতে কোনো কষ্ট নহয় তাৰবাবে ৰজাই প্ৰয়োজনীয় ব্যৱস্থা ল'লে।

– *নাগেশ্বৰ*



# তথাস্তু দেৱতা

কামেশৰ সদায় এটাই ইচ্ছা আছিল ৰমেশতকৈ ওপৰত থকা আৰু কিবা নহয় কিবা উপায়েৰে তাক হেয়জ্ঞান কৰা। বুদ্ধিমত্তা, সম্পত্তি, সজগুণ, পৰোপকাৰ আদিত ৰমেশতকৈ সদায় সি নিজক ওপৰত বুলি ভাবিছিল। আৰু সেই কথা প্ৰতিপন্ন কৰিবলৈ সি সদায় চেষ্টা চলাইছিল। কিন্তু, প্ৰতিবাৰেই সি অসফল হৈছিল। অলপতে ৰমেশে এজনে তাৰপৰা ধাৰ নিয়া দুহেজাৰ টকা ঘূৰাই পাইছে। পইচাখিনি ঘূৰাই পাব বুলি সি সমূলিও আশা কৰা নাছিল। সেইটো কথাতে কামেশৰ তাৰ প্ৰতি ঈৰ্ষা আৰু তীব্ৰ হৈ পৰিল।

তেনেকুৱাত কামেশৰ সম্পৰ্কীয় ভোলা তাৰ ঘৰলৈ আহিল। তেওঁ কামেশক ক'লে, ''মোৰ ভতিজাজনীৰ বিয়া ঠিক হৈছে। সি মোৰপৰা এহেজাৰ টকা বিচাৰিছে। কিন্তু মোৰ ওচৰত পইচা নাই। ধাৰ লৈ হ'লেও নিজৰ ভাইটোক সহায়তো কৰিবই লাগিব নহয় জানো। মোৰ ওচৰত দুহেজাৰ নাৰিকল আছে। এটা নাৰিকলত আধা পইচাকৈ বেচিবলৈ সাজু আছোঁ। তুমি কিনিব খুজিলে তোমাৰ লাভই হ'ব। আৰু লগতে ছোৱালীজনীৰ বিয়াত সহায় কৰাৰ সন্তুষ্টিও লভিব পাৰিবা।''

কামেশে ভাবিলে যে যিহেতু বজাৰত নাৰিকলৰ ইমান চাহিদা নাই, সেয়ে ভোলাই তাক ঠগি পইচাখিনি হাত কৰিব খুজিছে। কিন্তু লগতে সি ভাবিলে যে ৰমেশক সৰু কৰাৰ এটা ভাল সুযোগ সি পাইছে। সি ভোলাক ক'লে, ''এতিয়া মোৰ হাততো পইচা নাই। মোৰ চুবুৰীয়া ৰমেশ বৰ পৰোপকাৰী। সি নিশ্চয় তোমাক সহায় কৰিব। ব'লা মোৰ লগত।'' এইবুলি সি ভোলাক ৰমেশৰ ঘৰলৈ লৈ গ'ল।

সেইসময়ত তাত গাঁৱৰ দুজনমান মুখিয়াল লোকো উপস্থিত আছিল। ৰমেশে তেওঁলোকৰ আগত পৰোপকাৰৰ বিষয়ে উদাহৰণ সহিতে বুজাই আছিল। কামেশে ভোলাক চিনাকি কৰাই দিলে আৰু ৰমেশক ক'লে, ''মোৰ ওচৰত এতিয়া পইচা নাই। তোমাৰ ওচৰত পইচা আছে বুলি জানিব পাৰি এওঁক লৈ আহিছো। এওঁৰ নাৰিকলখিনি কিনি লোৱা আৰু এওঁৰ মান বচোৱা।''

তাত উপস্থিত থকা লোকসকলে গম পালে এই গোটেই কাণ্ডটোৰ আঁৰত কামেশৰ অসৎ অভিপ্ৰায় আছে। তেওঁলোকৰ এজনে ক'লে, ''এতিয়া নাৰিকলৰ চাহিদা নাই। এনেকুৱাত এহেজাৰ নাৰিকল কিনি লৈ ৰমেশে কি কৰিব?'' কামেশে হাঁহি ক'লে, ''তুমি মইহে তেনেকৈ ভাবিছো। ৰমেশৰ পদ্ধতি সুকীয়া, ক'বলৈ গ'লে অনন্য। তেওঁ নিশ্চয়কৈ নাৰিকলখিনি কিনিব। নাৰিকলখিনি ভাল জাতৰো, গতিকে তাৰ লাভো ভালেই হ'ব।''

ৰমেশে তুৰন্তে ক'লে, ''ওপৰত তথাস্তু দেৱতা আছে। আমাৰ কামেশে ভাল আশা কৰিয়েই যিহেতু এই কথা কৈছে, সেয়ে ভগৱানেও নিশ্চয় তাকে বিচাৰিছে।''

এই ঘটনাৰ কিছুদিন পিছত সেই দেশৰ ৰজাই প্রজাৰ মঙ্গলৰ বাবে এটা যজ্ঞ কৰিব খুজিলে। তাৰ বাবে এখ লাখ নাৰিকলৰ প্রয়োজন হ'ল। যিহেতু স্বদেশত নাৰিকলৰ চাহিদা কম, আৰু সস্তা দামতে বেপাৰীয়ে সেইবোৰ বিদেশত বেচিছিল, সেয়ে ৰজাই বিদেশৰপৰা নাৰিকল আমদানি কৰিব লগাত পৰিছিল। চাহিদা বৃদ্ধি পোৱা দেখি বেপাৰীয়ে নাৰিকলৰ দাম বঢ়াই দিলে। এতিয়া প্রতিটো নাৰিকলৰ দাম চাৰি টকা হ'লগৈ। ৰজাই মন্ত্রীসকলক মাতি আনি ক'লে, ''বেপাৰীবোৰে আমাৰ প্রয়োজনৰ সম্পূর্ণ সুযোগ লৈছে। সিহঁতে আমাৰ দেশৰপৰা সস্তাত নাৰিকল কিনি আমাৰ দেশত বেছি দামত বেচে। তাৰ সলনি আমি নিজৰ দেশৰ পৰাই নিকিনো কিয়? সেয়েহে সকলোতে ঢোল পিটি শুনাই দিয়া যাতে প্রতিটো নাৰিকলৰ দাম দুটকা হ'ব। আমাৰ ৰাজ্যৰ বেপাৰীয়ে আমাক যি নাৰিকল বেচিব, সেয়া আমি কিনি ল'ম আৰু যদি সেয়া কম হয় তেতিয়া বিদেশৰপৰা কিনিম। তাৰদ্বাৰা আমাৰ দেশৰ মানুহৰ অধিক লাভ হ'ব।''

কামেশে এটা কথা ভাবি বৰ ভাল পালে যে ৰমেশক ভোলাৰ নাৰিকলখিনি বেচি এক গুলীত দুই চিকাৰ হ'ল। ভোলাৰ বাঃ বাঃ তো পালোৱেই আৰু ৰমেশকো চৌঠেঙীয়া কৰা হ'ল। কিন্তু ৰজাৰ ঘোষণা শুনি তেওঁ চমকি উঠিল। ঈর্ষা আৰু ক্রোধত সি জ্বলিবলৈ ধৰিলে।

ৰজাৰ ঘোষণা শুনি পিছদিনা গাৱঁৰ মুখিয়াল লোক ৰমেশক অভিনন্দন জনাবলৈ আহিল। ৰমেশে তেওঁলোকক ক'লে, ''এই সকলোবোৰ কামেশৰ কৃপা। তেওঁৰ মুখৰ পৰা যেতিয়া কথাটো ওলালে ভগৱানেও চকু মেলি চালে।''

তেনেকুৱাতে তালৈ অহা কামেশে ক'লে, ''ৰমেশে আগৰপৰাই ৰজাৰ ঘোষণাৰ কথা জানিছিল। ব্যৱসায়ত যাতে মই তেওঁৰ প্রতিদ্বন্দ্বী হৈ নপৰোঁ, তাৰবাবেই এই কথা লুকাই ৰাখিলে। অকলেই গোটেই লাভ ল'ব খুজিলে। ভোলাকো একো নজনালে।''

তাকে শুনি উপস্থিত সকলো স্তম্ভিত হ'ল। তেতিয়া কামেশে উৎসাহিত হৈ ক'লে, ''তুমি কপট। নিজকে ভাল দেখুৱাবলৈকে তুমি এই নাটক কৰিলা। আগৰেপৰাই তুমি এইকথা জানিছিলা।''

''অযথাই খং নকৰিবা কামেশ। তুমিয়ে তো ভোলাক লগত লৈ আহি তাক সহায় কৰিবলৈ অনুৰোধ কৰিছিলা। নাৰিকল কিনিবলৈ তুমিয়েতো পৰামর্শ দিছিলা। মই গৈছিলো নেকি ভোলাৰ ওচৰলৈ নাৰিকল কিনিবলৈ? মোক কেলেই দোষ দিছা?'' ৰমেশে শান্তভাৱেৰে ক'লে।

কামেশে লাজ পাই কিবা ক'ব খোজোতেই তালৈ ভোলা আহিল। ৰমেশে তালৈ খবৰ পঠিয়াইছিল যে নাৰিকলখিনি বেচিলে যি লাভ হ'ব সেয়া দুয়ো সমানে ভগাই ল'ব। এই কথা জানিব পাৰি কামেশ অবাক হৈ ৰ'ল।

এইদৰে ৰমেশৰ হাতত কামেশ আকৌ এবাৰ হাৰিল।

*– কাশীনাথ শর্মা*



# ৰামৰ ইচ্ছা

ৰাম লক্ষ্মীপুৰৰ নিবাসী আছিল। মজদুৰী কৰি তেওঁ নিজৰ আৰু পৰিয়ালৰ সদস্যসকলৰ পেটৰ পোৰণি মাৰিছিল। সেই গাঁৱত সদায় মজদুৰী পোৱা নগৈছিল আৰু পালেও আয় একেবাৰে কম আছিল। এই আয়েৰে তেওঁ নিজৰ আৰু পৰিয়ালৰ লোকসকলৰ পেট ভৰাব নোৱাৰিছিল আৰু ভালকৈ কাপোৰ কানিও দিব নোৱাৰিছিল। এইদৰে তেওঁ এটা দুখৰ জীৱন যাপন কৰিছিল।

এদিন ৰামে ৰাতি সপোনত দেখিলে যে তেওঁ বড়া খাই আছে, যিটো তেওঁৰ খুব প্ৰিয় আছিল। টোপনিতে তেওঁৰ লোভৰ পানী ওলাই আহিল। ৰাতিপুৱা উঠিয়েই তেওঁ সপোনৰ বিষয়ে পত্নী সীতাক ক'লে। সীতাই দীঘলকৈ উশাহ লৈ ক'লে, ''ভাতৰ মাৰ অলপৰ বাবেই আমি হাবাথুৰি খাইছো আৰু তুমি বড়া খাবলৈ ইচ্ছা কৰিছা। বৰ ভাল কথা!''

ইয়াৰ পাছত পত্নীয়ে মাটিৰ এটা পাত্ৰত অলপমাৰ আনি ক'লে তোমাক কিমানবাৰ কৈ আছো যে তুমি চহৰলৈ গৈ তাতে কাম বিচাৰাগৈ। কিন্তু মোৰ কথা তুমি শুনিলেহে। এই গাঁৱত থাকিলে আমাৰ জীৱন এনেকুৱাই হৈ থাকিব, কোনো উন্নতি নহয়।''

ৰামে গাঁও এৰি যাব খোজা নাছিল। এই কাম কৰিবলৈ তেওঁ খুব ভয় কৰিছিল। সেয়েহে পত্নীয়ে যেতিয়াই কথাটো উলিয়াই তেতিয়াই তেওঁ সেইটো এৰাই চলিব খোজে আৰু কয়, ''চিন্তা কৰি চাম বাৰু।'' এইবাৰো তেওঁ একেটা উত্তৰকে দিলে আৰু হাত মুখ ধুবলৈ পিছ চোতাললৈ ওলাই গ'ল।

এনেতে প্ৰতিবেশী কৃষক মংগলৰ সাতমহীয়া শিশুটি চুঁচৰি চুঁচৰি তালৈ আহিল আৰু মাৰ থকা পাত্ৰটো তলত পেলাই দিলে। ৰামে গেঙেৰি মাৰি ক'লে, ''তোৰ কাৰণেই মই ভাতৰ মাৰকণো খাব নোৱাৰিলো। মোৰ ভাগ্যত হয়তো ইয়াকেই লেখা আছে।''

''যি হ'ল হ'ল আৰু। সি হ'ল কেঁচুৱা। সিনো কি জানে? সিনো চুঁচৰিবলৈ লোৱাই কেইদিন হৈছে? ভুল আমাৰেই। আমি সাৱধান থাকিব লাগিছিল।'' সীতাই ক'লে।

পেটত ভোক লৈয়েই তেওঁ কাম বিচাৰি ওলাল। কিন্তু ক'তো তেওঁ কোনো কাম বিচাৰি নাপালে। পাটোৱাৰীৰ ঘৰ হৈ তেওঁ যেতিয়া গৈ আছিল তেতিয়া তেওঁৰ নাকত তেলত বড়া ভজাৰ সুগন্ধি সোমালহি। ৰামৰ লোভৰ পানী ওলাই আহিল। তেতিয়া ঘৰৰপৰা বাহিৰলৈ ওলাই অহা পাটোৱাৰীক তেওঁ ক'লে, ''মালিক, কিবা কাম আছে যদি কওক। কৰিম।''

''আজি আমাৰ দেউতাৰ শ্ৰাদ্ধ। সকলো ব্যস্ত আছে। ঠিক আছে, তুমি বাৰু কুঁৱাৰপৰা পানী তুলি সৌ চৌব্বাচাটো ভৰাই দিয়া।'' এইবুলি কৈ তেওঁ বাহিৰলৈ গ'ল ।''

কুঁৱাৰ পানী বহুত তলত আছিল। তথাপি তেও যথেষ্ট কষ্ট কৰি চৌব্বাচাটো পানীৰে ভৰাই পেলালে। এঘন্টাৰ পিছত পাটোৱাৰীৰ পত্নীয়ে তেওঁক দুটা টকা দিলে আৰু

যাবলৈ ক'লে।

''আইদেউ, দুটা বড়া আছে যদি দিয়কচোন।'' ৰামে কাকূতি কৰিলে।

''বড়া গোটেইখিনি শেষ হৈ গ'ল। যিসকল আহিছিল, সকলোৱে উদৰ ভৰাই খালে। আমাৰ কাৰণেই নাথাকিল।'' পাটোৱাৰীৰ পত্নীয়ে নিজৰ অসহায়তা ব্যক্ত কৰিলে।

নিৰাশ হৈ ৰামে দালিয়া কিনোগৈ বুলি শেঠৰ দোকনলৈ গ'ল। ''হেৰা ৰাম, মোৰ পত্নীয়ে

বড়া বনাবলৈ লৈছে। দুই চাৰিটা বড়া খাই যাবা। বড়া হয় মানে সেই শস্যৰ বস্তাকেইটাকে ভিতৰলৈ আনাচোন।'' ৰামে বৰ আনন্দ পালে। বস্তাকেইটা সি ভিতৰলৈ আনিলে।

এনেতে ভিতৰত বড়া বনাবলৈ যো জা কৰা শেঠৰ পত্নীক চোতালৰপৰা ভিতৰলৈ সোমাই অহা এটা ডাঙৰ বিছাই আহি কামুৰিলে। তেওঁ চিঞৰি চিঞৰি কান্দিবলৈ ধৰিলে। শেঠে ঘৰত তলা লগাই পত্নীক ততাতৈয়াকৈ বৈদ্যৰ ওচৰলৈ লৈ গ'ল।

নিজৰ ভাগ্যক ধিক্কাৰ দি ৰামে দালিয়া লৈ ঘৰ পালেগৈ।

সীতাই বাদামৰ পাতেৰে ছটা বড়া বনাই আনি তেওঁৰ সমুখত ৰাখি ক'লে, ''লোৱা, তোমাৰ সপোন দিঠকত পৰিণত হ'ল।''

ৰামে তাকে দেখি বৰ ভাল পালে আৰু সুধিলে, ''কোনে দিলে? ক'ত পালা?''

''প্ৰতিবেশী মংগলৰ ল'ৰাটোৱে আঁঠুত ভৰ দি চুঁচৰিবলৈ শিকিছে। আমাৰ পৰম্পৰা অনুযায়ী যেতিয়া শিশুৱে প্ৰথমে এনেকৈ চুঁচৰিবলৈ লয় তেতিয়া ঘৰত বড়া বনোৱা হয়। তেওঁলোকৰতো এটাই ল'ৰা। সেয়েহে মংগলৰ পত্নীয়ে মনৰ আনন্দতে আমাকো আহি বড়া দিলেহি।'' সীতাই ক'লে।

''তুমি বড়া খাই বৰ ভাল পোৱা নহয়, সেয়েহে মই লুকু�ৱাই থৈছিলো। সিহঁত অহাৰ আগতেই খাই লোৱা।'' সীতাই ক'লে। ৰামৰ দুচকুৱেদি চকুলো নিগৰি আহিল। বড়াখিনি

পত্নীক ঘূৰাই দি ক'লে, ''নাই, সিহঁতকো আহিবলৈ দিয়া। আমি সকলো মিলি জুলি খাম।''

তেনেতে মংগলৰ ল'ৰাটো চুঁচৰি সেইখিনিলৈ আহিল আৰু ৰামক দেখি খিলখিলাই হাঁহি দিলে।

ৰামে তাক কোলাত তুলি ল'লে আৰু তাক চুমা এটা দি ক'লে, ''শিশুৱে যেতিয়া প্ৰথম চুঁচৰিবলৈ শিকে, তাৰ আনন্দই পাৰ নধৰা হয়। লগতে আনন্দ পায় তাৰ মাক দেউতাকেও। মই ইটোৰ পাছত সিটোকৈ সন্তান জন্ম দি এতিয়া কষ্ট ভুগিছো। ইহঁতৰ ভৱিষ্যতৰ বাবেই মই কিবা এটা কৰিব লাগিব আৰু এই গাঁৱতেই সদায় সোমাই থাকিলে বৰ মূৰ্খামি কৰা হ'ব। ইয়াতকৈ অবিবেচক কাম আন একোৱেই হ'ব নোৱাৰে। তুমি কোৱাৰ দৰে মই চহৰলৈকে কাম বিচাৰি যাবলৈ ঠিক কৰিছো। পুৱাই মোক জগাই দিবা। আৰু লগতে, ৰাস্তাত খাবলৈ ডালিয়া অলপো বনাই দিবা।''

স্বামীৰ কথা শুনি সীতাই বৰ আনন্দ পালে। তেওঁ মনতে ভগৱানক প্ৰাৰ্থনা কৰিলে যাতে তেওঁৰ স্বামীয়ে কিবা ভাল কাম পায় আৰু তাৰে যাতে ল'ৰা ছোৱালীকেইটাৰ খাদ্য আৰু বস্ত্ৰৰ সুব্যৱস্থা হয় আৰু তেওঁলোকৰ দুখৰ দিনৰ অন্ত পৰে।

– *পদ্মপ্ৰিয়া*

# বুদ্ধিৰ সাগৰ

## বীৰবল

# A Cruel Punishment

১. সম্ৰাট আকবৰে এদিন দেখিলে যে দৰবাৰৰ খুটাবিলাকৰ ৰং এৰাই যাবলৈ ধৰিছে। তেওঁ ৰং দিওতা ৰাম সিঙক মতাই আনি সেইদিনা সন্ধিয়াৰ ভিতৰতে খুটাবিলাকত ৰং দিবলৈ কলে।

২. পিছদিনাখন দৰবাৰলৈ আহিয়েই আকবৰৰ বৰ খং উঠিল। তেওঁ দেখিলে যে খুটাবিলাকত তেতিয়াও ৰং দিয়া হোৱা নাই। ৰাম সিঙক সোধাত সি স্বীকাৰ কৰিলে যে সম্ৰাটৰ আদেশ পাহৰি গ'ল।

৩. সম্ৰাটে খঙতে চিঞৰি উঠিল, ''তুমি উপযুক্ত শাস্তি পোৱা উচিত। যোৱা এতিয়াই তুমি গৈ চুণৰ পানী আৰু এডাল ব্ৰাছ লৈ আহাগৈ।'' ৰাম সিং লৰালৰিকৈ ওলাই গ'ল।

৪. দৰবাৰৰ বাহিৰত বীৰবলে ভয়তে উধাতু খাই অহা ৰাম সিঙক দেখা পালে। তেওঁ বীৰবলক কলে, ''মোৰ ওপৰত শ্বাহেনশ্বাহৰ ভীষণ খং উঠিছে।'' লগে লগে বীৰবলে ৰাম সিঙৰ কাণে কাণে কিবা কলে।

৫. ৰাম সিঙে এটা পাত্ৰ আৰু এডাল ব্ৰাছ লৈ আহিল। সম্ৰাটে কলে, ''তুমি এতিয়া এই খুটাবিলাক ৰং কৰাৰ প্ৰয়োজন নাই। চুণখিনি একেকোৱে খাই পেলোৱা। ভৱিষ্যতে তুমি তেতিয়া কথা পাহৰি নোযোৱা হবা।'' ৰাম সিং আচৰিত হ'ল।

৬. সম্রাটৰ আদেশ পালন কৰিবই লাগিব। ৰাম সিঙে চুণৰ পানী খাবলৈ বুলি পাত্রটো দাঙিলে। দৰবাৰত থকা লোকসকলে কোৱা-কুই কৰিলে, ''বেচেৰা, তাৰ হয়তো মৃত্যুও ঘটিব পাৰে।''

৭. এঘোট খোৱাৰ পিছত ৰাম সিঙে পাত্রটোৰ পৰা আৰু এঘোট খালে। কিন্তু তাৰ একো নহ'ল। দৰবাৰৰ লোকসকলে পুণৰ কোৱা-কুই কৰিলে, ''আল্লাই তাক ৰক্ষা কৰিলে।''

৮. সম্রাটে অনুমান কৰিলে যে কিবা এটা গণ্ডগোল হৈছে। তেওঁ ৰাম সিঙক ৰৰলৈ কলে আৰু তাৰ পৰা পাত্রলৈ লৈ পৰীক্ষা কৰিলে, ''হে আল্লা, এয়া দেখোন ডাঠ গাখীৰহে।'' তেওঁৰ চকুৱে লগে লগে বীৰবলৰ অনুসন্ধান কৰিবলৈ ধৰিলে।

৯. সম্রাটে কলে, ''মই তেন্তে ঠিকেই অনুমান কৰিছিলো।'' বীৰবলে হাঁহি মাৰি কলে, ''শ্বাহেনশ্বাহ, ইমান এটা সৰু ভুলৰ বাবে চুণৰ পানী খাবলৈ দিয়াতো গুৰু শাস্তি হ'লহেতেন। আপুনি ৰাম সিঙক ক্ষমা কৰি দিয়ক।''

# Do you know why wood crackles in fire?

Firewood, even when dry, contains patches of resin, sap and other volatile matter. When placed on fire, the hot temperature liquefies the resin or sap. It then turns into gas. As the pressure builds up, the sap explodes out of the wood with a popping sound.

You must have noticed that a burning piece of wood pops sometimes and crackles at other times. When there is a larger concentration of sap in one area, the wood pops. But if there are numerous sap pockets, the wood crackles.

# মহীপতিৰ পৰামৰ্শ

কেদাৰ জয়পুৰৰ নিবাসী আছিল। এটা ভাল ব্যৱসায় কৰি যথেষ্ট টকা উপাৰ্জন কৰাৰ তেওঁৰ এটা ডাঙৰ অভিলাষ আছিল। বিভিন্ন বেপাৰত অভিজ্ঞতা থকা মানুহৰপৰা তেওঁ পৰামৰ্শ বিচাৰিলে। তাৰে কেইবাজনেও ক'লে যে জয়পুৰত ভাল ভোজনালয় নাই। যাৰ ঘৰ নাই, তেওঁলোকৰ ভোজনৰ বাবে এটা ভাল ভোজনালয় নায়েই। সেয়েহে তেওঁলোকে এটা ভাল ভোজনালয় খুলিবলৈ কেদাৰক উৎসাহ দিলে।

জয়পুৰৰ প্ৰায় সোঁমাজতে কেদাৰে এটা ডাঙৰ ঘৰ ভাৰালৈ ল'লে আৰু বেপাৰ আৰম্ভ কৰিলে। কিন্তু উন্নতি নহ'ল। দুই তিনিটা পাকঘৰো সলনি কৰি চালে। তথাপি বেপাৰত উন্নতি পৰিলক্ষিত নহ'ল। কি কৰা যায় তাক লৈ তেওঁ চিন্তাত পৰিল, এদিন মেলৰৰপৰা সুনন্দ নামৰ এজন ৰান্ধনি কাম বিচাৰি তেওঁৰ ওচৰলৈ আহিল।

সুনন্দই পাকঘৰৰ দায়িত্ব লোৱাৰেপৰা ৰন্ধা বস্তুবোৰ সোৱাদ লগা হৈ আহিল আৰু ভোজন কৰিবলৈ অহা মানুহৰ সংখ্যাও বাঢ়ি আহিবলৈ ধৰিলে। লাহে লাহে সেইখন চহৰৰ সবাতোকৈ ভাল ভোজনালয় ৰূপে পৰিগণিত হ'ল। খাদ্যত ৰুচি আৰু পৰিষ্কাৰ পৰিচ্ছন্নতা দুয়োটাই আছিল, সেয়েহে বেপাৰত বিশেষ উন্নতি হ'ল। এদিন সুনন্দই কেদাৰৰপৰা এশটা টকা ধাৰলৈ খুজি লে। কেদাৰে মনতে ভাবিলে যে এইবাৰ যদি ধাৰখিনি দিঅওঁ তেন্তে অহাবাৰ এহেজাৰ টকা বিচাৰিব। সেয়েহে তেওঁ ধাৰ দিবলৈ অস্বীকাৰ কৰিলে।

সেইদিনাৰেপৰা ৰন্ধা বস্তুৰ সোৱাদ কমি আহিল। যিকোনো খাদ্যতে সোৱাদ কমি আহিল। গ্ৰাহকৰ সংখ্যাও কমি আহিল।

মহীপতী নামৰ এজন অধ্যাপকো তালৈ খাবলৈ আহিছিল। তেওঁও ভোজন ৰুচিহীন পোৱা হ'ল। এদিন তেওঁ কেদাৰক ক'লে, ''আজিকালি দেখোন ৰন্ধা বস্তুবোৰৰ সোৱাদ নোহোৱা হ'ল। ইয়াৰ কাৰণ কি?''

''এই কথাটো মই নিজেই বুজি পোৱা নাই। ৰন্ধা বঢ়াৰ বাবে প্ৰয়োজনীয় বস্তুবোৰ একেখন দোকানৰপৰা কিনি আহিছো। ৰান্ধনি সুনন্দই আগৰদৰে পাকঘৰৰ কাম চম্ভালি আছে,'' চিন্তিত কেদাৰে ক'লে।

মহীপতিয়ে ক'লে, ''সুনন্দই তোমাৰপৰা বাৰু কিবা সহায় বিচাৰিছিলে নেকি?'' কেদাৰে মনত পেলাই লৈ ক'লে, ''হয়, আজি কিছুদিনৰ আগতে সুনন্দই মোৰপৰা এশ টকা খুজিছিল। মই নিদিলো।''

''কিয় নিদিলা?'' মহীপতিয়ে সুধিলে।

''এবাৰ দিলে হ'ব পাৰে এইটো তাৰ অভ্যাসেই হৈ যাব। সেয়েহে মই ধাৰ দিবলৈ অস্বীকাৰ কৰিলো।'' কেদাৰে ক'লে।

''কথাটো তেনেকৈ কিয় ভাবিলা? সকলো সমস্যাৰ বাবেই একেটা সমাধান সূত্ৰ থকাটো কেনেকৈ সম্ভৱ হ'ব পাৰে? সকলো সমস্যাৰ স্বৰূপ কেতিয়াও একে হ'ব নোৱাৰে। ব্যৱসায়ত কামত অহা ধৰণৰ সমাধান সূত্ৰ বিচাৰিব লাগিব। তেওঁৰবা কেনে অসুবিধা হৈছিল, যাৰবাবে তেওঁ তোমাৰপৰা ধাৰ বিচাৰিবলগীয়া হৈছিল। এই অপমানৰ বাবেই হয়তো তেওঁ ৰন্ধা বঢ়াৰ কামত মন নিদিয়া হ'ল। যেতিয়া তেওঁ তোমাৰ ইয়াত কাম কৰিয়েই আছে, ধাৰ বিচাৰিনো তেওঁ আন কাৰ ওচৰলৈ যাব? তেওঁতো তোমাৰপৰা দান বিচৰা নাছিল, ধাৰহে খুজিছিল। তৎক্ষণাৎ তুমি তেওঁক টকা এশ দি চোৱা কি হয়। ইয়াৰ ফলাফল তুমি নিজেই জানিব পাৰিবা। যি মানুহে আমাৰ হৈ কাম কৰে তেওঁলোকৰ ভাল বেয়া, সুবিধা, অসুবিধালৈ মন দিয়াটো আমাৰ কৰ্ত্তব্য। ইয়াতহে আমাৰ মংগল আছে, তেতিয়াহে আমি উন্নতি কৰিব পাৰিম। তেওঁও দেখিবা মন লগাই কাম কৰিব আৰু আমিও তেওঁৰ হতুৱাই ভাল কাম কৰোৱাব পাৰিম।'' মহীপতিয়ে পৰামৰ্শ দিলে।

কেদাৰে সেইদিনাই সুনন্দক টকা এশ দিলে। সেই মুহূৰ্ত্তৰেপৰা সুনন্দৰ মুখত কেৱল আনন্দেহে দেখা গ'ল। নিজৰ কামত তেওঁ



উৎসাহ দেখুৱাবলৈ ল'লে। তালৈ ভোজন কৰিবলৈ অহা মানুহ সুনন্দৰ প্রশংসাত পঞ্চমুখ হৈ পৰিল। কেদাৰৰ ব্যৱসায় আগতকৈয়ো ভাল হৈ আহিল। কেদাৰৰ উদ্বিগ্নতাৰো ওৰ পৰিল।

– *মহর্ষি*

Log onto www.chandamama.com

# Your Chandamama is available in many avatars!

**Junior Chandamama (4+ age group):**
A magazine for the little ones peppered with activities, pictures, and stories that will grip their imagination!

## Make friends with Mintoo, Cooba, and a host of other whacky characters!

- Picture story
- Stories and Activities
- Colouring
- Comics

**YOUR LANGUAGE, YOUR CHANDAMAMA.**

- Srinivasa Kalyanam
- Vikram-Vetal
- Panchatantra
- Stories

**Regional Chandamama (9+ age group):**
Read your favourite stories in your own language! Chandamama takes you closer home even as your imagination soars!

**Available in 12 languages:**
Telugu, Hindi, Marathi, Oriya, Kannada, Bengali, Tamil, Malayalam, Gujarati, Assamese, Sanskrit, Santali.

# বীৰ কালীনাথ–৩

*(প্ৰতিবেশী ৰাজ্যৰ ৰজাৰ ভয়ত ৰজা দেৱজিতে, গাঁৱত বাস কৰা প্ৰজাক ডকাইতৰ উপদ্ৰৱৰ পৰা মুক্ত কৰা বীৰ কালীনাথক মৃত্যুদণ্ড দিয়া হ'ব বুলি ঘোষণা কৰিলে। কালীনাথৰ শিৰচ্ছেদ কৰিবলৈ যো–জা চলোতেই কালীনাথে ঘাতকৰ হাতৰপৰা কুঠাৰখন টান মাৰি আনি অশ্বাৰোহী দলৰ নেতাৰ শিৰচ্ছেদ কৰিলে। তেনেতে শুনা গ'ল, ''জয় ভালুক তান্ত্ৰিকৰ জয় !'' ইয়াৰ পাছত...)*

''জয় ভালুক তান্ত্ৰিকৰ জয়'' এই জয়ধ্বনি শুনাৰ লগে লগে অশ্বাৰোহীহঁতে সেই শব্দ অহা দিশলৈ মূৰ ঘূৰাই চাবলৈ ধৰিলে। কালীনাথো ঘোঁৰাৰ পৰা নামিল। ইয়াৰ পাছত অশ্বাৰোহী দলৰ নেতাক আগেয়ে দি দিয়া তৰোৱালখন লৈ আনি কালীনাথে নিজৰ খাপত ভৰাই ল'লে। সেই সময়তে পাহাৰীয়া জলপ্ৰপাত এটাৰ ওচৰত এজন দীৰ্ঘদেহী মানুহ সকলোৰে দৃষ্টিগোচৰ হ'ল। কালীনাথেৰ লাগি চালে।

''এঁও নিশ্চয় কোনো তান্ত্ৰিক !'' এইবুলি ভাবি কালীনাথে ভাবিলে ইয়াৰপৰা পলাই যোৱাই ভাল হ'ব। আকৌ তেওঁ ভাবিলে এনে কৰিলে বাকী অশ্বাৰোহীহঁতে তেওঁক বাধা দিব। লগে লগে তেওঁ অশ্বাৰোহীহঁতৰ ফালে দৃষ্টি নিক্ষেপ কৰিলে। দেখা গ'ল আটায়ে ভয় আৰু সম্ভ্ৰমেৰে জলপ্ৰপাতৰ ফালে চাই আছে।

জলপ্ৰপাতৰ পিছফালৰ পৰা ওলাই অহা দীৰ্ঘদেহী মানুহজন একাঁঠু পানীৰ মাজেদি পাৰলৈ বুলি আহি থাকিল। দেখাতেই তেওঁ বলিষ্ঠ আছিল। তেওঁ ক'লা ভালুকৰ এখন চাল

পিন্ধি আছিল। হাতত আছিল হীৰাৰে নিৰ্মিত ভালুকৰ মুখ শীৰ্ষত থকা এডাল প্ৰকাণ্ড মন্ত্ৰদণ্ড।

কালীনাথে সেই সময়ত পলোৱাৰ কথা চিন্তা কৰি আছিল, কিন্তু এই বিচিত্ৰ বেশভূষাত অহা মানুহজন দেখি কালীনাথ স্তম্ভিত হৈ লৰচৰ নকৰাকৈ ৰৈ আছিল। ইফালে অশ্বাৰোহীহঁত আৰু ম'হৰ পিঠিত উঠি থকা ঘাতক থৰহৰি কম্পমান।

ভালুকৰ চাল পিন্ধা মানুহজন সিহঁতৰ ওচৰলৈ আহি ক'লে, ''মই জানিছিলো যে সময়মতে মই ভালুক তান্ত্ৰিকৰ নাম ল'ব নোৱাৰাহেঁতেন ইয়াত বহুত ৰক্তক্ষয় হ'লহেঁতেন। মোক চিনি পাইছানে ? মইয়েই ভালুক তান্ত্ৰিক !''

কেইমুহূৰ্ত্তমানৰ বাবে সকলো নীৰৱে থাকিল। কালীনাথে সোঁহাতত তৰোৱাল আৰু বাঁওহাতে ঘাতকৰ কুঠাৰখন লৈ উচ্চস্বৰত ভালুক তান্ত্ৰিকক ক'লে, ''মহাশয় ! আমি জানিব খোজা নাছিলো যদিও আপুনি নিজৰ নামটো কৈছে। এতিয়া আহিল আপুনি কোৱাৰ দৰে ৰক্তক্ষয়ৰ কথা। পিছে মন দি শুনক, এতিয়া যদি কোনোবাই মোক বাধা দিয়াৰ প্ৰয়াস কৰে তেন্তে মই আৰু কেইটামান শিৰ

মাটিত পেলাম ।'' এইবুলি কৈ কালীনাথে নিজৰ ঘোঁৰাটো হেঁচুকি দিলে।

''হে যুৱক ! তুমি দেখিছো বৰ সাহসী ! কিন্তু কেইটামান মুহূর্ত্ত ৰৈ যাব নোৱাৰানে?'' এইবুলি কৈ ভালুক তান্ত্রিকে নিজৰ মন্ত্রদণ্ডৰে ম'হৰ ওপৰত উঠি থকা ঘাতকক হেঁচুকি দিলে। আৰু সুধিলে, ''হেৰা, তুমি এই অশোক বনত থকা পিশাঁচ নে ৰজাৰ প্রধান ঘাতক ।''

''মহাশয়, মই পিশাঁচ নহঁও, ৰজাৰ প্রধান ঘাতকহে । তেখেতে যাকেই মৃত্যুদণ্ড দিয়ে, তেওঁৰেই মই শিৰচ্ছেদ কৰো ।'' ঘাতকে উত্তৰ দিলে । ইফালে তান্ত্রিকৰ বেশভূষা দেখি ভয়তে পলাব খোজা ঘাতকৰ ম'হটোও কঁপিবলৈ ধৰিলে ।

সেই সময়ত অশ্বাৰোহীহঁতৰ নেতাৰ মৃতদেহলৈ একেথৰে চাই থকা ভালুক তান্ত্রিকে ক'লে, ''তেন্তে মৃত্যুদণ্ডৰ আদেশ পোৱা আৰু এজন ৰাজসেৱকক হত্যা কৰা অপৰাধী এজন পলাই যাব খোজা দেখিও তুমিনো কি চাই আছা ?''

''মহাশয়, মই নিৰস্ত্র । বলপূর্বকভাৱে কালীনাথে মোৰ হাতৰপৰা কুঠাৰখন লৈ লৈছে ।'' ঘাতকে ভয়ার্ত্ত কণ্ঠেৰে ক'লে ।

কালীনাথে গম পালে যে এই তান্ত্রিকে তেওঁৰ বিৰুদ্ধে ঘাতক আৰু অশ্বাৰোহীহঁতক উচটনি দিবলৈ ধৰিছে । এই কথা মনলৈ অহাত কালীনাথে ঘাতকৰ ফালে আগবাঢ়ি ক'লে, ''হেৰ নৰপিশাচ ! ল, এইয়া তোৰ কুঠাৰ। যদিহে তোৰ সাহস আছে, এবাৰ মোক বাধা দি চাচোন, দেখা যাওক কি হয় ?''

ঠিক পিছ মুহূর্ত্ততে ঘাতকে ভয়তে কঁপি কঁপি ক'লে । ''কালীনাথ, তুমি মহান যোদ্ধা।

মই অশোক বনত বাস কৰা দেৱতাৰ শপত খাই কৈছো মোৰ অহংকাৰ দূৰ হৈছে ।''

কালীনাথে অশ্বাৰোহী সৈনিকহঁতক ক'লে, ''কোৱা, তোমালোকে পিছে কি ভাবিছা? তোমালোকে তোমালোকৰ দলপতিৰ কি দশা হ'ল সেইটো জানো নিজ চকুৰে দেখা নাই ?''

''মৃত্যুদণ্ডৰ আদেশ কার্যকৰী কৰিবলৈ অহা দলৰ এজ নে প্রাণ হেৰুৱাইছে যেতিয়া আমিও আমাৰ অস্ত্র সম্বৰণ কৰিছো । এই কথা আমি ৰজাক কমগৈ । পিছে এতিয়া তোমাক বাধা দি আমিনো মিছাতে আমাৰ বিপদ মাতি আনো কিয় ?'' অশ্বাৰোহীহঁতে প্রায় সমস্বৰে ক'লে ।



''তোমালোকে বেচ বুদ্ধিমত্তাৰ পৰিচয় দিছা,'' এইবুলি কৈ কালীনাথে নিজৰ ঘোঁৰাটো হেঁচুকি দিলে ।

তেনেতে ভালুক তান্ত্রিকে কালীনাথৰ ঘোঁৰাৰ লেকামত ধৰি ক'লে, ''ভালুক পাদ গুৰু ! মই বিচাৰি থকা মানুহজনেই পাইছো ।'' তেওঁ আকৌ কালীনাথক ক'লে, ''কালীনাথ, তুমি নিশ্চয় পাহৰি গৈছা যে এই মুহূর্ত্তত ইয়াত মোৰ দৰে মন্ত্র তন্ত্রত প্রসিদ্ধ এজন লোকো আছে ।''

শৈশৱৰেপৰা কালীনাথৰ এনে শ্রেণীৰ মানুহৰ প্রতি মুঠেই শ্রদ্ধা নাছিল । এনেকুৱা মানুহ নিজৰ গাঁৱত বা ওচৰে পাজৰে বহুতবাৰ দেখিছে ।

ভালুক তান্ত্রিকৰ কথা শুনি কালীনাথে ভাবিলে যে এই তান্ত্রিকে তেওঁক অৱজ্ঞা কৰিছে, সেয়ে ক্রোধান্বিত হৈ কালীনাথে ক'লে, ''হেৰি মহাশয় ! আপোনাৰ নাম ভালুক তান্ত্রিক নহয়জানো ? এনেয়েতো আপোনাৰ নাম শুনিলেই ভয় লাগে । ইয়াৰ আগতে আপুনি আৰু এজন ভালুক পাদ গুৰুৰ নাম লৈছিল । তেওঁনো কোন ? মোৰ নিচিনা, সাধাৰণ মানুহে এইবোৰৰ আওভাও কেনেকৈ পাব ? এইবোৰ কথাতো মনত ৰখাও জটিল ।''

কালীনাথে এনেকৈ উপহাস কৰা সত্ত্বেও ক্রোধান্বিত নহৈ ভালুক তান্ত্রিকে মিচিকিয়া হাঁহি এটা মাৰি ক'লে, ''মোৰ গুৰুৰ নাম ভালুক পাদ । মোৰ নাম ভালুক তান্ত্রিক ।

এতিয়া তুমি ঘটিব লগীয়া অদ্ভুত ঘটনাৱলী চাই আকৌ এই দুটা নামৰ মাজত থকা মিল দেখি অনাহকতে আচৰিত ন'হবা ।''

''ঘৰৰপৰা ওলাই অহাৰ পিছত ইটোৰ পিছক সিটোকে অহা বিপদত মই ইতিমধ্যে অতিষ্ঠ হৈছোৱেই । এতিয়া মই লৰালৰিকৈ নিজৰ গাঁৱলৈ ঘূৰি গৈ খেতি-বাতিত ধৰাহে ভাল হ'ব বুলি ভাবিছো ।''

এইবুলি কৈ কালীনাথে কুঠাৰখন ঘাতকৰ ফালে দলিয়াই দিলে আৰু একোৱেই যেন হোৱা নাই এনে ভাব দেখুৱাই ঘোঁৰাটোৰ পিঠিত উঠি তাক হেঁচুকি দিলে ।

ঘোঁৰাটোৱেও চিঞৰ এটা মাৰি, দহ-বাৰ খোজমান গৈ দৌৰ লগাবলৈ সাজু হ'ল । তেনেতে ভালুক তান্ত্রিকে উচ্চস্বৰে চিঞৰিলে, ''কালীনাথ, ৰ'বা ! তুমি জানো দেখা নাই তোমাৰ ফাললৈকে আহি থকা মানুহৰ সেই দলটো ?''

এই সতৰ্কবাণী শুনি কালীনাথে মূৰ দাঙি আগলৈ চালে । এজোপা বিশাল বৃক্ষৰ পিছ ফালৰ পৰা তিনিজন অশ্বাৰোহী তেওঁৰ ফাললৈকে আহি থকা কালীনাথে দেখা পালে । মাজৰ অশ্বাৰোহী জনৰ পিন্ধনত আছিল ৰেচমী পোচাক আৰু মূৰত আছিল পাগুৰী । তেওঁৰ দুয়োকাষে থকা দুজন কবচধাৰীৰ হাতত আছিল তৰোৱাল আৰু কান্ধত আছিল চিকমিকাই থকা ঢাল ।

সেই দৃশ্য দেখি কালীনাথে নিজৰ ঘোঁৰাটো ৰখাই দিলে । কবচধাৰী অশ্বাৰোহী দুজনৰ মাজত অহা ৰেচমী কাপোৰ পিন্ধা মানুহজনে হাত দাঙি কালীনাথৰ ফালে দেখুৱাই ঘাতকক ক'লে, ''হেৰা নগৰৰ প্রধান ঘাতক ! মহাৰাজে এই অপৰাধীৰ শিৰচ্ছেদ কৰিবলৈ জানো নির্দেশ দিয়া নাছিল, কিন্তু তুমি সেই আদেশ এতিয়াও পালন কৰা নাই কিয় ?''

কঁপি কঁপি ম'হৰ পিঠিৰপৰা নমা ঘাতকে কি উত্তৰ দিব বুলি ভাবি থাকোতেই ভালুক তান্ত্রিক সেই প্রশ্ সোধা মানুহজনৰ ওচৰলৈ আহি ক'লে, ''তুমিয়েই মহাৰাজ দেৱজিতৰ প্রধানমন্ত্রী জীৱগুপ্ত নহয় জানো ?''

মন্ত্রী জীৱগুপ্তই ভাবিলে যে ৰজা তথা তেওঁৰ প্রতি সম্মানপূর্বক শব্দ ব্যৱহাৰ নকৰাকৈ অশিষ্ট সুৰত প্রশ্ কৰা এইজন ব্যক্তি নিশ্চয় কোনো কপট বৈৰাগী হ'ব । চকু ৰঙা কৰি ক্রোধান্বিত মন্ত্রীয়ে ক'লে, ''সৈন্যসকল, প্রথমতে এঁওক খুন্দা এটা দি দূৰলৈ পেলাই দিয়া ।''

মন্ত্রীৰ আদেশ শুনি মন্ত্রীৰ ওচৰতে থকা দুজন অশ্বাৰোহীয়ে খাপৰপৰা তৰোৱাল উলিয়াবলৈ সাজু হ'ল । কিন্তু ভালুক তান্ত্রিকৰ হাতত মন্ত্রদণ্ড দেখি ভয়তে কঁপিবলৈ ধৰিলে। ঘোঁৰা দুটাই হিচহিচাই পিছ হুহকি আহিল ।

''মন্ত্রীবৰ ! এই বৈৰাগীৰ হাতত থকা মন্ত্রদণ্ডৰ শীর্ষত থকা ভালুকৰ সেই মূৰটো চাওক । এতিয়াই তেওঁ ইচ্ছা কৰিলে সেই দণ্ডৰে মাটিত কোবাই অগ্নি বৰষিব পাৰে ।'' অশ্বাৰোহী সৈনিক দুজনে ক'লে ।

জীৱগুপ্তই ভালুক তান্ত্রিকৰ মন্ত্রদণ্ডৰ শীর্ষত থকা ভালুকৰ মূৰটোৰ ফালে পৰিহাসপূর্ণ দৃষ্টিৰে চাই ক'লে, ''হেৰা বৈৰাগী, তোমাৰ কথা-বতৰা আৰু কাম-কাজ দেখি এনেহে লাগিছে যে তুমি এজন অহংকাৰী ব্যক্তি । তুমি কিবা যাদু মন্ত্র শিকি ল'লা যেন পাইছো ।''

মন্ত্রীৰ কথা শুনি ভালুক তান্ত্রিকে তেওঁৰ ফালে তীক্ষ্ণ দৃষ্টিৰে চাই ক'লে, ''কথাতে কয় সাধনাত সিদ্ধি লাভ কৰা সন্ন্যাসীয়েই বৈৰাগী হয়, আৰু তেতিয়াই কোকলোঙাই নিজৰ ৰং সলায় । মই পিছে না সন্ন্যাসী না বৈৰাগী । মই হলো ভালুক তান্ত্রিক । জয় আদি ভালুকৰ জয় ।'' এইবুলি অট্টহাস্য কৰি ভালুক তান্ত্রিকে নিজৰ মন্ত্রদণ্ডৰ ওচৰৰে এটা ডালত জোৰেৰে আঘাত কৰিলে ।

তৎক্ষণাৎ সেই ডালটোৰ পৰা অগ্নি কণা ওলাই আহিল আৰু মুহূর্ত্তৰ ভিতৰতে গোটেই বৃক্ষজোপাক

জুইয়ে ছানি ধৰিলে । মন্ত্রী জীৱগুপ্তৰ ঘোঁৰাটোৱে ভয়তে চিঞৰিবলৈ ধৰিলে । মন্ত্রীৰ কবচধাৰী দুজন দেহৰক্ষকেও ভয়তে মন্ত্রীৰ ওচৰলৈ বুলি ঘোঁৰা দৌৰাই দিলে।

মুহূর্ত্তৰ ভিতৰতে ঘটি যোৱা এই ঘটনাত উপস্থিত আটায়ে আচৰিত হ'ল । দূৰৰপৰা এই দৃশ্য চাই থকা কালীনাথে নিজৰ ঘোঁৰাটো ভালুক তান্ত্রিকৰ ওচৰলৈ আনি নিজে ঘোঁৰাৰপৰা নামি লৈ ক'লে, ''বাহ ! তুমি দেখিছো সাধাৰণ মায়াবী তান্ত্রিক নোহোৱা । মহান মন্ত্র বিশেষজ্ঞ তুমি । কপটীয়া মন্ত্রীক তুমি যেনেকৈ ভয় খুৱালা, একেদৰে এঁওৰ ৰজাকো তোমাৰ মন্ত্র শক্তিৰ দ্বাৰা ভয় দেখুৱাই ভালকৈ শাসন কার্য চলাবলৈ বাধ্য নকৰা কিয় ?''

''বাহ যুৱক ! তুমি কেৱল সাহসীয়েই নহয়। লগতে তুমি বুদ্ধিমানও । তুমিতো মোৰ মনৰ কথাই খুলি ক'লা ।'' এইদৰে ভালুক তান্ত্রিকে কালীনাথৰ প্রশংসা কৰিলে । তাৰ পিছত তেওঁ মন্ত্রীক সুধিলে, ''মন্ত্রী, মোৰ শক্তিৰ পৰিচয় পালা নহয় । এতিয়া তুমিয়েই কোৱা, ইয়াত থকা যিকোনো মানুহক আদেশ দিয়াৰ ক্ষমতা কাৰ আছে? তোমাৰ নে মোৰ?'' মন্ত্রীয়ে দেখিলে কথা বিষম ।

মন্ত্রীয়ে ভয়ে ভয়ে ক'লে, ''হে ভালুক তান্ত্রিক ডাঙৰীয়া । মই নিজ চকুৰে আপোনাৰ শক্তি দেখিলো । আপুনি কেৱল ইয়াতেই নহয়, ৰাজপ্রাসাদলৈ গৈ মহাৰাজ দেৱজিতকো আদেশ আৰু পৰামর্শ দিব পাৰে ।''

ভালুক তান্ত্রিকে ঘাতকক ক'লে, ''হেৰা ঘাতক শুনা । শিৰ কাটি ভাল পোৱা তুমি নিশ্চয় কাটি পেলোৱা শিৰ আকৌ মৃত শৰীৰত ঠিকমতে চিলাই দিবও জানা । এই মুহূর্ত্ততে তুমি অশ্বাৰোহী দলৰ নেতাৰ মূৰটো চিলাই দি মৃতদেহটো ঘোঁৰাৰ পিঠিত ঠিকমতে ৰছীৰে বান্ধি দিয়া ।''

বিলম্ব নকৰি ঘাতকে ভালুক তান্ত্রিকৰ এই আদেশ পালন কৰিলে । কিন্তু লৰালৰি কৰোতে ঘাতকে মূৰটো পিঠিৰ ফালে মুখ কৰি চিলাই দিলে । সেয়েহে এনেহে লাগিছিল যে মুখখন ওলোটাকৈ থকা এজন মানুহৰ মৃতদেহ ঘোঁৰাত বান্ধি থোৱা আছে ।

এই ভুল দেখি মন্ত্রী জীৱগুপ্তৰ বাহিৰে ভালুক তান্ত্রিকৰ লগতে আন আটায়ে গির্জনি মাৰি হাঁহিবলৈ ধৰিলে । ভালুক তান্ত্রিকে জীৱগুপ্তৰ ফালে ক্রোধিত দৃষ্টিৰে চাই আদেশ দিলে, ''হে মন্ত্রী ! তুমি এতিয়া ঘাতকৰ বাহন ম'হটোৰ পিঠিত উঠি লোৱা আৰু ঘাতক উঠক তোমাৰ ঘোঁৰাৰ পিঠিত ।''

বিনাবাক্যে মন্ত্রী জীৱগুপ্তই ভালুক তান্ত্রিকৰ আদেশ পালন কৰিলে । মন্ত্রী ম'হৰ পিঠিত, ঘাতক ঘোঁৰাৰ পিঠিত । ইয়াৰ পাছত ভালুক তান্ত্রিকে আটাইকে নগৰ অভিমুখে যাবলৈ নির্দেশ দিলে ।

ৰজা দেৱজিতৰ মন্ত্রীক কৰা এই অপমানত সন্তুষ্ট হৈ কালীনাথে ক'লে, ''এই শোভাযাত্রা দেখি ৰাজধানীৰ জনতা নিশ্চয় আনন্দিত হ'ব । এতিয়া মই নিজৰ গাঁৱলৈ যাব লাগে ।''

এইবুলি কৈ নিজৰ ঘোঁৰাৰ পিঠিত উঠি লৈ কালীনাথ যাবলৈ ওলাল । তেনেতে ভালুক তান্ত্রিকে নিজৰ মন্ত্র দণ্ড ওপৰলৈ তুলি লৈ ক'লে, ''কালীনাথ, তুমি মোৰ আদেশ শুনা নাইনে ?''

''আদেশ? কি আদেশ? ইয়াত মোক কোনে আদেশ দিব পাৰে?'' এইবুলি কৈ কালীনাথে খাপৰপৰা তৰোৱাল উলিয়াই ল'লে ।

– *(অহা সংখ্যাত)*

# বাবুৰ বন্ধু – হাঁহ

হেৰা হাঁহ, তুমি ৰাজহাঁহৰ সম্পৰ্কীয় এক জলচৰ প্ৰাণী নহয়নে বাৰু ?
হয় বাবু, তোমাৰ অনুমান সত্য।
তুমি সাধাৰণতে কোনবিলাক ঠাইত বাস কৰা?
তুমি আমাক এন্টার্টিকাক বাদ দি পৃথিৱীৰ আন যিকোনো ঠাইৰে নিৰ্মল আৰু সাগৰীয় লুণীয়া পানীত বাস কৰা দেখিবলৈ পাবা।
তুমি নিজৰ বিষয়ে মোক অলপমান বহলাই কবানে বাৰু ?
নিশ্চয়, আমাৰ দেহটো হ'ল দীঘলীয়া আৰু লগতে বহলো। আমাৰ ডিঙি দীঘল। আমাৰ দেহৰ পিছ অংশত শক্তিশালী দুটা ঠেং আছে। ঠেং কেইটাৰ ওপৰত তুমি বাকলি দেখিবলৈ পাবা। আমাৰ গোটেই দেহটো পাখিৰে আৱৰা আৰু ডেউকা দুখন ছুটি কিন্তু শক্তিশালী।
তোমালোকৰ বিশেষ বৈশিষ্ট্য কি ?
আমাৰ দেহত নতুন পাখি গজাৰ সময়ত আমাৰ বেছিভাগেই উৰিব নোৱাৰে। সেইসময়ত আমি নিৰাপদ স্থানত আশ্ৰয় লও। সেই সময়ত আমি এইটোও লক্ষ্য ৰাখো যে আমাৰ বাবে প্ৰয়োজনীয় খাদ্যৰ অভাৱ নহয়।
তোমালোকৰ জীৱনকাল কিমান দীঘল?
আমি ১২–১৫ বছৰ মান জীয়াই থাকো।

তোমালোকে কেনে ধৰণৰ খাদ্য খোৱা?
আমাৰ খাদ্যৰ তালিকাখন বেছ দীঘল। আমি ঘাঁহ, জলজ উদ্ভিদ, মাছ, পোক-পতংগ, সৰু উভচৰ জীৱ, নানা ধৰণৰ পলু আৰু সৰু সৰু শামুক আদি খাও।
তোমালোকৰ জীৱন চক্ৰৰ বিষয়ে অলপ কবানে?
আমাৰ বেছিভাগেই এবছৰত এবাৰ বসন্ত, গ্ৰীষ্ম বা সেমেকা কালত কণী পাৰি পোৱালী জন্ম দিয়ে। মাইকী হাঁহে ১০-১৪ টা মান সেউজীয়া-বগা কণী পাৰে। তাৰপিছত তাই সেইবিলাকক উমনি দি পোৱালী জগায়।
তোমালোকৰ পোৱালীবিলাকৰ বিষয়ে অলপ কবানে?
কিয় নকম বাবু, উমনি দিয়াৰ পিছত জগা পোৱালীবিলাকৰ বৰণ কলা বা ছাই বৰণীয়া হয় আৰু সিঁহতৰ দেহত পাখি প্ৰায় নাথাকেই। সৰু অৱস্থাত পোৱালীবিলাকৰ দেহ চুটি চুটি নোমেৰে ভৰি থাকে। কিন্তু আৰু অলপ ডাঙৰ হৈ যেতিয়া সিঁহত বাঁহ এৰি যাবৰ বাবে উপযুক্ত হৈ উঠে, তেতিয়া সিঁহতৰ দেহত উৰিব পৰাকৈ প্ৰয়োজনীয় পাখি গজি উঠে।
তোমালোকৰ শত্ৰু কোন?
আমাৰ শত্ৰু বহুত, সেইবিলাকৰ ভিতৰত আছে নানাধৰণৰ চিকাৰী চৰাই, ডাঙৰ মাছ, ঘঁৰিয়াল আৰু আন জলচৰ চিকাৰী জন্তু, যেনে বৰটোকোলা ইত্যাদি।

# ৰং দিয়াৰ আনন্দ

কাষৰ চিত্ৰত থকা হাঁহ আৰু হাঁহৰ পোৱালীটো দেখিবলৈ সুন্দৰ নহয়নে?

তুমি তাত নানা ধৰণৰ ৰং সানি আৰু অধিক সুন্দৰ কৰি তোলা।

# ভাৰত দৰ্শন

## মহৰ পৰা পৰিত্ৰাণ

ডেংগু জ্বৰৰ পৰা হাত সৰাৰ বাবে বিজ্ঞানীসকলে এটা নতুন প্ৰক্ৰিয়া চিন্তা কৰি উলিয়াইছে। তেওঁলোকে এনে ধৰণৰ মহ জন্ম দিয়াৰ কথা চিন্তা কৰিছে যি উৰিব নোৱাৰে। এইক্ষেত্ৰত মতা মহৰ জিনৰ গঠন কৃত্ৰিমভাৱে সলনি কৰি পেলোৱা হব। এই মতা মহবিলাকৰ শুক্ৰানুৰ পৰা যি নতুন প্ৰজন্মৰ মাইকী মহে জন্ম লাভ কৰিব, সেইবিলাকৰ পাখিৰ দৈৰ্ঘ কম হৈ পৰিব। মাইকী মহৰ এই বিশেষ জিনবিলাক কেৱল পিছৰ প্ৰজন্মৰ মাইকী মহহে লাভ কৰিব। ফলত মতা মহবিলাকৰ কোনো জিনৰ গঠন সলনি নহব। বিজ্ঞানীসকলে ভাৱে যে ডেংগুৰ দৰে ৰোগৰ বিপক্ষে যুঁজ কৰাৰ বাবে এইটো এটা সুবিধাজনক আঁচনি, কিয়নো মহ মাৰিবলৈ কীটনাশক ব্যৱহাৰ কৰাতো একেবাৰেই নিৰাপদ নহয়।

ডেংগু ৰোগৰ উপযুক্ত চিকিৎসা আজিলৈকে আৱিষ্কাৰ হোৱা নাই। এই ৰোগৰ বীজাণু এডিছ এজাইপ্তি নামৰ মহে বিয়পায়। বন্ধ পানীত এইবিধ মহে কণী পাৰি পোৱালী জগায়। ডেংগু বেমাৰৰ লক্ষণ হ'ল তীব্ৰ জ্বৰ, দুৰ্বলতা আৰু হাড়ৰ বিষ। মেলেৰীয়াৰ দৰেই, এই ডেংগু বেমাৰো ইয়াৰ বীজাণু বহন কৰা মাইকী মহে কামোৰাৰ ফলত হয়। আজি পৰ্যন্ত এই বেমাৰৰ ববে কোনো প্ৰতিষেধক নাই। এটা বছৰত প্ৰায় ১০০ মিলিয়ন লোক এই বেমাৰৰ পৰা আক্ৰান্ত হয়। বৰ্তমান অৱস্থাত পৃথিৱীৰ প্ৰায় এক তৃতীয়াংশ লোকেই ডেংগু ৰোগ হব পৰা বাতাবৰণত বাস কৰে।

## গান্ধীজীৰ স্কুল

ৱৰ্ধাত থকা সেৱাগ্ৰাম আশ্ৰম মহাত্মা গান্ধীয়ে তেওঁৰ অনুগামীসকলক আশ্ৰয় দিবৰ বাবে নিৰ্মাণ কৰিছিল। নই তালিম সংঘ (নতুন শিক্ষাৰ প্ৰতিষ্ঠান) সেই আশ্ৰমৰ এটা স্বাধীন অংশ আছিল।

মহাত্মা গান্ধীয়ে এই স্কুলখন প্ৰতিষ্ঠা কৰাৰ উদ্দেশ্য আছিল যে নতুন প্ৰজন্মক ভয়মুক্ত হৈ চিন্তা কৰিবলৈ শিক্ষা প্ৰদান কৰা আৰু একেসময়তে হাতে কামে লাগি কিছুমান সুন্দৰ আৰু উপযোগী বস্তু তৈয়াৰ কৰি উলিওৱা।

১৯৩৮ চনত প্ৰতিষ্ঠা হোৱা এই নই তালিম স্কুলক হিন্দুস্তানী তালিম স্কুল বুলি জনা গৈছিল। গান্ধীজীয়ে এই স্কুলৰ যোগেদি শিশুসকলক সাধাৰণ দেশীয় শিক্ষা প্ৰদান কৰিব বিচাৰিছিল। তেওঁ আশা কৰিছিল যে এই স্কুলৰ শিক্ষাই এনে কিছু যুৱকৰ সৃষ্টি কৰিব যি অহিংসা নীতিৰে পৰিচালিত হব আৰু এখন সমৃদ্ধিশালী ৰাষ্ট্ৰ গঢ়ি তুলিব। একে সময়তে তেওঁলোকে নানা শিল্পকলা সম্পৰ্কেও জ্ঞান লাভ কৰিব।

আনকি ১৯৭৪ চনতো এই স্কুলখন বেছ জনপ্ৰিয় আছিল। প্ৰায় সাতশ শিক্ষাৰ্থীয়ে বৰ্ণমালা, পৰম্পৰাগত কৃষিৰ কৌশল, বিশেষ চক্ৰ (যতৰ) আৰু খাদ্য প্ৰস্তুত কৰাৰ জ্ঞান লাভ কৰিছিল।

৭০ বছৰৰো অধিক কালৰ আগতে, গান্ধীজীয়ে অনুভৱ কৰিছিল যে শিশুৱে নিজ হাতেৰে কাম কৰাৰ আগ্ৰহ হেৰুৱাই পেলাইছে। তেওঁ বুজিব পাৰিছিল যে শাৰিৰীক শ্ৰমৰ প্ৰতি থকা সন্মান লাহে লাহে নাইকিয়া হৈ আহিছে আৰু সেয়ে তেওঁ শিক্ষাৰ যোগেদি ইয়াক ঘূৰাই আনিব বিচাৰিছিল। সেইবাবেই তেওঁ কৃষি শিক্ষা, ৰন্ধনৰ শিক্ষা, সূতা কটাৰ শিক্ষা সকলোৱে শিকাটো বাধ্যা কৰিছিল। কিন্তু দুখৰ কথা এয়ে যে আজিৰ যুগত গান্ধীজীৰ এনে চিন্তা গ্ৰহণ কৰা লোকৰ অভাৱ হৈছে।

বৰ্তমান সেই স্কুলে প্ৰায় ২৫ জন মান ছাত্ৰ–ছাত্ৰীক বৰ্ণমালাৰ শিক্ষা প্ৰদান কৰে। তেওঁলোকৰ বয়স হ'ল ৩ ৰ পৰা ৫ বছৰৰ ভিতৰত। এই সকলো শিক্ষাৰ্থীয়েই হ'ল সেই আশ্ৰমত কাম কৰা লোকসকলৰ সন্তান। কব পাৰি যে মহাত্মা গান্ধীয়ে প্ৰতিষ্ঠা কৰা এই স্কুল চিৰদিনৰ বাবে বন্ধ হৈ পৰাৰ পথত।

# কথাৰ মালিহা

তুমি বাৰু কেইটা ভাৰতীয় ভাষা জানা? এতিয়া চান্দমামাৰ সহায়ত কেইবাটাও মাতৃভাষা শিকা আৰু প্ৰত্যয়েৰে ভাৰতৰ অন্বেষন কৰা! তলত দিয়া তালিকাখনত তুমি জনা ভাষাৰ বাক্যবিলাক মনোযোগ দি পঢ়া। তাৰপিছত আনবিলাক ভাষাত সেই বাক্যকেইটা কেনেকৈ কোৱা আৰু লিখা হয় তাক ভালদৰে অধ্যয়ণ কৰা।

| English | What you say is true. | It didn't occur to me at that time. | Why worry so much? | What is your problem? |
|---|---|---|---|---|
| Assamese | তুমি যি কোৱা সেইটো শুদ্ধ। | সেই সময়ত কথাটো মই ভৱাই নাছিলো। | কিয় ইমান চিন্তা কৰা? | তোমাৰ সমস্যাটো কি? |
| Bengali | স্বপনি যা বলছেন তা সত্য। আপনি যি বলছিলাম তা সত্য। | তখন এটা স্বমার মাথায় স্বসেনি। তখন এটা আমাৰ মাথায় আছেনি। | এত চিন্তা করছেন কেন? এটা চিন্তা কৰেছেন কেন ? | স্বপনার স্বুবিধাটা কী? আপনাৰ অসুবিধাটা কি ? |
| Kannada | ನೀವು ಹೇಳಿದ್ದು ನಿಜ. নিভু হেলিড্ডু নিজ. | ಆ ಸಮಯದಲ್ಲಿ ನನಗೆ ಹಾಗೆ ಆಗಿರಲಿಲ್ಲ. আ সময়াদল্লি ননগে হাগে আগিৰল্লিলা. | ಇದಕ್ಕೆ ಯಾಕೆ ಇಷ್ಟು ಚಿಂತೆ? ইডক্কে য়াকে ইষ্টু চিন্তে? | ನಿಮ್ಮ ಸಮಸ್ಯೆ ಏನು? নিম্মা সমস্যে য়েনু? |
| Hindi | तुमने जो कहा, सच है। তুমনে য' কাহা, সচ্চ হে. | मुझे उस समय यह नहीं सूझा था। মুঝে উচ সময় য়হ নেহি সুঝা থা. | इतनी चिन्ता क्यों कर रहे हो? ইটনি চিন্তা কিয়ু কৰ ৰেহে হ? | तुम्हारी समस्या क्या है? তুম্হাৰী সমস্যা ক্যা হে? |
| Gujarati | તમે જે કહ્યું તે સાચું છે. তমে য' কহা তে সচ্চুন চে. | તે સમયે તે મારી સામે આવ્યું નહોતું. তে সময়ে তে মাৰি সামি আভয়ুন নহতুন. | આટલી ચિંતા કેમ કરો છો? আতলি চিন্তা কেম কৰো ছ? | તમારી સમસ્યા શું છે? তমাৰে সমস্যা চুন চে ? |
| Malayalam | നിങ്ങൾ പറയുന്നത് ശരിയാണ്. নিনগল পৰয়ুন্নাথু চৰিয়ানু. | ആ സമയത്ത് എനിക്കത് സംഭവിച്ചില്ല. আ সময়থু ইনিকাথু সম্ভবিচ্চিল্লা. | എന്തിനാണ് ഇത്രയധികം ആശങ്കപ്പെടുന്നത്? ইনথিনানু ইথ্ৰায়াধিকম অসনকপেডুন্নাথু? | എന്താണ് നിങ്ങളുടെ പ്രശ്നം? ইনথানু নিনগালুডে প্রশ്নম? |
| Marathi | तुम्ही सांगताय ते खरं आहे. তুমহি সংগতে তে খৰ অহে. | त्यावेळी मला ते सुचलं नव्हतं. মল তাভিল তে চুচেল নভত. | इतकी काळजी का? ইটকি কলজি ক? | तुझी समस्या काय आहे? তুজি সমস্যা কে অহে? |
| Oriya | ତୁମେ ଯାହା କହୁଛ ସତ। তমে য়াহা কহুচ্ছ সৎ। | ସେଥର ମୋ ସହିତ ଏମିତି କିଛି ଘଟି ନ୍ଥିଲା। সেতাৰা সো সহিত ইমতি কিচ্ছি ঘন্টিনাথিল্লা। | କାହିଁକି ଏତେ ବ୍ୟସ୍ତ ହେଉଛ? কাহিনকি ইতে ব্যস্ত হউচ্ছ? | ତୁମର କଣ ଅସୁବିଧା ଅଛି? তোমাৰ কন অসুবিধা আচ্ছি? |
| Sanskrit | त्वया यदुक्तं तद् सत्यमेव। তভয়া যদুক্তম তদ সত্যমেৱ। | तस्मिन् समये तथा न अभासत। তস্মিন সময়ে তথা ন অভাসত। | किमर्थम् एतावती चिन्ता? কিমর্থম ইতাৱতী চিন্তা? | का तव समस्या? কা তব সমস্যা? |
| Tamil | நீ சொல்வது உண்மை. নি চলভাডু ন্মাই. | எனக்கு அப்போது தோன்றவில்லை. ইনাক্কু অপুধু থনৰাভিলাই. | ஏன் இத்தனை கவலை? এইন ইথিথানাই কভলই? | உன்னுடைய பரச்சினை என்ன? উন্নুডাইআ প্রচনল ইন্না? |
| Telugu | మీరు చెప్పింది నిజం. মেৰু ছেপ্পিনডি নিজম. | ఆ సమయంలో నాకు అలా జరగలేదు. আ সময়মলু নাকু অলা জৰগলেডু. | ఎందుకంత ఆందోళన పడుతున్నారు? ইনডুকানথা আন্দোলন পদুথুন্নাৰু? | మీ సమస్య ఏమిటి? মি সমস্যা ইমিতি? |

# ৰাজকীয় খাদ্য

## কৰ্নাটিক ৰাজ্যৰ আহাৰ

কৰ্নাটিকৰ সুস্বাদু আহাৰৰ কথা উল্লেখ নকৰাকৈ ৰাজ্যখনৰ কথা কোৱা টান। ইয়াৰ আহাৰ সকলো ধৰণৰ ভ্ৰমণকাৰীৰ মাজতো বেছ জনপ্ৰিয়। ইয়াত অনেক ধৰণৰ আহাৰ উপলব্ধ। এইবিলাকৰ ভিতৰত নানা আমিষ আৰু নিৰামিষ দুয়োবিধৰে আহাৰ আছে। কাষৰীয়া ৰাজ্যবিলাকৰ পৰাও কৰ্নাটিকৰ আহাৰৰ ওপৰত কিছু প্ৰভাৱ পৰিছে, বিশেষকৈ মহাৰাষ্ট্ৰৰ পৰা।

### মাংগালোৰ

মাংগালোৰৰ আহাৰ সাধাৰণতে চাউলৰ পৰা প্ৰস্তুত কৰা আৰু মছলাযুক্ত। ফল–মূল হ'ল মাংগালোৰীয় খাদ্যৰ এক এৰাব নোৱাৰা অংশ। নাৰিকল আৰু জলকীয়া হ'ল ইয়াৰ আহাৰত সচৰাচৰ ব্যৱহৃত উপাদান। চাউলৰ পৰা নানা প্ৰকাৰৰ আহাৰ প্ৰস্তুত কৰা হয়। ৰঙা বৰণৰ এক চাউল এই অঞ্চলত বেছ জনপ্ৰিয়। মাংগালোৰৰ লোকসকলে চাউলৰ পৰা চন্নছ (ইডলীত ইষ্ট অথবা তাড়ি মিহলাই তৈয়াৰ কৰা হয়), পেনকেক, চাউলৰ পৰা তৈয়াৰী ৰুটি, কৰি ৰুটি (এবিধ শুকান, মচমচীয়া ৰুটি, এই ৰুটি অতি পাতল আৰু ইয়াক কুকুৰাৰ মাংসৰ জোলৰ লগত পৰিবেশন কৰা হয়) আৰু নীৰ ডোচা। আন এবিধ জনপ্ৰিয় মাংগালোৰীয় খাদ্য হ'ল মছলাযুক্ত কানে ফ্ৰাই (লেডি ফিছ)। পেট্ৰোডে নামৰ আন এবিধ মাংগালোৰীয় আহাৰো অতি জনপ্ৰিয়। ই হ'ল ভাপত দিয়া কলকেছিয়া পাতৰ এক সুস্বাদু আহাৰ। মালনাড আৰু কদাগু অঞ্চলত আক্কি ৰুটি বা চাউলৰ ৰুটি অতি জনপ্ৰিয়।

### মালনাড

এই ঠাইৰ আহাৰ হ'ল মাংগালোৰীয় আৰু কুৰ্গীসকলৰ আহাৰৰ সংমিশ্ৰণ। এই ঠাইৰ জনপ্ৰিয় আহাৰ সমূহৰ ভিতৰত মিডিগয়ী পিকল (সৰু কেচা আম), চেনডিজ, অভলাক্কি (চিৰা) আৰু তলিপিট্টু (চাউলৰ গুৰিৰ পৰা তৈয়াৰী আক্কি ৰুটি) নাম উল্লেখ কৰিব পাৰি।

### উডুপি

জনপ্ৰিয় মছলা ডোচা এই অঞ্চলৰ নামৰ পৰাই উৎপত্তি হোৱা বুলি বিশ্বাস কৰা হয়। আন বহু দক্ষিণ ভাৰতীয় আহাৰৰ নামো এই ঠাইৰ পৰাই ওলাইছে। উডুপিৰ আহাৰ সম্পূৰ্ণৰূপে নিৰামিষ। ইয়াত আনকি পিয়াজ আৰু নহৰুও নাথাকে। চম্বৰ, ৰচম, এডয়েছ (চাউলৰ পৰা তৈয়াৰী চিঙৰাৰ দৰে আহাৰ), অজডিনাছ (শুকান জোল) আৰু নানা ধৰণৰ চাটনিবিলাক হ'ল এই ঠাইত পোৱা আহাৰৰ ভিতৰত প্ৰধান। এই ঠাইৰ খাদ্যত ব্যৱহাৰ হোৱা উপাদানবিলাকৰ ভিতৰত প্ৰধান হ'ল – লাও, নাৰিকল, কঠাল, কলকেছিয়া পাত, কেছা কল, আমৰ পিকল আৰু ৰঙা জলকীয়া।

### কডাগু

কডাগু অঞ্চলৰ আহাৰ কৰ্নাটিকৰ আন অঞ্চলৰ আহাৰৰ পৰা প্ৰায় সম্পূৰ্ণৰূপে পৃথক। এই অঞ্চলৰ জনপ্ৰিয় আহাৰৰ ভিতৰত প্ৰধান হ'ল পণ্ডি কাৰি (গাহৰিৰ মাংসৰ জোল), কডুমবুট্টু (চাউলৰ পৰা তৈয়াৰ কৰা চিঙৰাৰ দৰে আহাৰ) ইত্যাদি। এইবিলাকৰ ওপৰিও কলি কাৰি (কুকুৰাৰ মঙহৰ জোল), নুল পুট্টু (চাউলৰ পৰা তৈয়াৰী নুডলছ), ভট্টি (চাউলৰ পৰা তৈয়াৰী ৰুটি, বেম্বলা কাৰি (বাঁহগাজেৰে তৈয়াৰী জোল) আদি বেছ সুস্বাদু।

## উত্তৰ কৰ্ণাটক

ঘেঁহু আৰু জোঁৱাৰৰ পৰা তৈয়াৰী ৰুটি হ'ল উত্তৰ কৰ্নাটকৰ জনপ্ৰিয় খাদ্য। এই অঞ্চলত বহু ধৰণৰ ৰুটি পোৱা যায়। সেইবিলাকৰ ভিতৰত জলাডা ৰুটি, থালি পেট, কড়ক ৰুটি আৰু সজ্জা ৰুটিয়েই প্ৰধান। এই ৰুটিবিলাকক নানা ধৰণৰ চাটনি বা মছলাযুক্ত কাৰিৰ লগত পৰিবেশন কৰা হয়। এই ৰুটিবিলাক বাদানেকায়ি, কালু পাল্যা, চুপ্‌পু পাল্যা, উচিল (গজালি ওলোৱা মাহৰ পৰা তৈয়াৰ কৰা হয়) আৰু ঝলকাৰ দৰে ব্যঞ্জনৰ লগতো পৰিবেশন কৰা হয়।

## খোৱাৰ শেষত পৰিবেশন কৰা আহাৰ

আনবিলাক ঠাইৰ দৰেই কৰ্নাটকটো মূল খোৱাৰ শেষত খাবৰ বাবে নানা ধৰণৰ আহাৰ প্ৰস্তুত কৰা হয়। ইয়াত পোৱা কিছুমান জনপ্ৰিয় মিঠাই বা মিঠা আহাৰ হ'ল চৈ ৰুটি (চেনী মিহলাই তৈয়াৰ কৰা কেকৰ দৰে আহাৰ যাক আলমণ্ড বাদামৰ তেলত ডুবাই থোৱা হয়), মাইসুৰ পাক, ওবট্টু বা হলিগে (পাতল ৰুটি, যাৰ ভিতৰত গুৰ, নাৰিকল, চেনি আদিৰ মিশ্ৰণ ভৰাই দিয়া হয়), ধাৰৱাৰ পেৰা, গোকক, কাৰডান্টু আৰু সাভিজে পায়স (গাখীৰ, চেৰৈ, চেনী আৰু ইলাচিৰে প্ৰস্তুত) আদিয়েই প্ৰধান।

যদিও ব্যঞ্জন প্ৰস্তুত কৰা উপাদানবিলাক বেলেগ, কৰ্নাটকৰ ওটা (এসাজ ভাত)ত থকা মূল আহাৰৰ প্ৰকাৰ হ'ল – উপ্‌পু (নিমখ), কাচম্বৰী, আচাৰ, পাল্যা, গজ্জু, ৰাইতা আৰু মিঠা ব্যঞ্জন (পৰম্পৰাগতভাৱে আহাৰ পায়সেৰে আৰম্ভ কৰা হয়), থভে, চিত্ৰান্না, ভাত আৰু ঘিউ।

সকলোকে ঘিউ বিতৰণ কৰাৰ পিছত, আহাৰ গ্ৰহণ কৰা কাম আৰম্ভ কৰা হয়। খাদ্য গ্ৰহণ কৰিবলৈ বহা সকলোৱে সকলো বস্তু পোৱাৰ পিছতহে খাদ্য গ্ৰহণ কৰাৰ নিয়ম।

ওপৰত উল্লেখ কৰা খাদ্যৰ পিছত নানা ধৰণৰ চুপ বা চুৰুহা পৰিবেশন কৰা হয়। সেইবিলাকৰ ভিতৰত চাৰু, মুড্ডিপাল্যা, মাজিগে হুলি বা কোটু। এইবিলাক কেতিয়াবা গৰম ভাতৰ লগতো খোৱা হয়। তাৰপিছত গজ্জু বা ৰাইতা পৰিবেশন কৰা হয় আৰু তাৰ ঠিক পিছতেই ফ্ৰাই কৰা আহাৰ যেনে আমবড়ে বা বোন্দা আদি দিয়া হয়। কাৰ্ড ৰাইছ বা দৈ গাখীৰ দিয়া ভাতেৰে খাদ্যৰ সামৰণি মৰা হয়।

বিশ্বাস কৰা হয় যে প্ৰতিটো সাজতেই দেহৰ বাবে প্ৰয়োজনীয় উপাদান প্ৰটিন, কাৰ্বহাইড্ৰেট আৰু ভিটামিন উপযুক্ত পৰিমাণে থাকে। উল্লেখ কৰিব পাৰি যে উত্তৰ কৰ্নাটক আৰু দক্ষিণ কৰ্নাটকৰ খাদ্যৰ মাজত পাৰ্থক্য আছে। উত্তৰ অংশৰ লোকে জোলা আৰু ভাতক মুখ্য খাদ্য হিচাপে ব্যৱহাৰ কৰা পৰিৱৰ্তে দক্ষিণ অংশৰ লোকে ৰাগী আৰু ভাত ব্যৱহাৰ কৰে।

# শ্রীকৃষ্ণৰ কাহিনী – ৩

অলপ সময়ৰ ভিতৰতে হাতীটো নিয়ন্ত্রণলৈ আহিল। কথাটো গৈ সোনকালেই জৰাসন্ধৰ কাণত পৰিলগৈ। তেওঁ লৰালৰিকৈ আহি সেই ঠাই পালেহি।

মোৰ দুজনী সুন্দৰী কণ্যা আছে। মই সিঁহতক তোমালৈ বিয়া দিব খুজো। তুমি মান্তি আছানে?
মই আনন্দেৰে মান্তি হৈছো।
কংসই ৰাজকুমাৰী অস্তি আৰু প্ৰাপ্তিক বিবাহ কৰিলে। জৰাসন্ধই কুবলয়পেশমক উপহাৰ হিচাপে কংসক প্ৰদান কৰিলে।

কংসই দুই পতনীৰ লগত আনন্দৰে সময় পাৰ কৰিবলৈ ধৰিলে।
এতিয়া যিহেতু মগধ আমাৰ আত্মীয় ৰাজ্য হৈ পৰিল, মই আৰু অধিক শক্তিশালী হলো।

এদিনাখন নাৰদ আহি কংসৰ ওচৰ পালেহি।
তেওঁলোকৰ কথোপকথনৰ সময়ত নাৰদে কংসক তেওঁ প্ৰকৃত পিতৃৰ কথা বিৱৰি কলে।
মথুৰাৰ ৰাজ কুমাৰে আপোনাক কৃতজ্ঞতা জ্ঞাপন কৰিছো মুণিবৰ।
তাৰমানে উগ্ৰসেন মোৰ পিতৃ নহয়। হা. হা. মই এতিয়া তেওঁক কাৰাগাৰলৈ প্ৰেৰণ কৰি ৰাজ সিংহাসনত আৰোহন কৰিব পাৰো।

উগ্রসেনে তেওঁৰ পৰিষদসকলৰ লগত কিবা এটা আলোচনা কৰি আছিল। তেওঁ কংসৰ আচৰণ দেখি আচৰিত হ'ল। তেওঁ কংসক বৰ ভাল পাইছিল।

কংসৰ অহংকাৰৰ সীমা নাছিল। তেওঁ গোটেই পৃথিৱীৰে অধিকৰ্তা হব বিচাৰিলে।

তেওঁৰ লগত মালযুঁজ কৰিবৰ বাবে মহিষ্টমাটিপুৰৰ সকলোকে আহ্বান কৰিলে।

আহ, উস!
কংসই সকলোকে পৰাস্ত কৰিলে। মহিষ্টমাটিপুৰৰ পাচোঁজন ৰাজকুমাৰে কংসৰ বশ্যতা স্বীকাৰ কৰিলে আৰু তলতীয়া হৈ পৰিল।
বন্ধ কৰা কংস, তুমি মোতকৈ শক্তিশালী।

তাৰপিছত কংস প্ৰৱৰ্শনগৰীলৈ গ'ল আৰু দ্বিৱিদিয়ানক যুজ কৰিবলৈ আহ্বান জনালে। দ্বিৱিদিয়ান আছিল এটা শক্তিশালী বানৰ।
হেৰা বানৰ, মোৰ লগত যুঁজ কৰিবৰ বাবে সাজু হোৱা।
ঠিক আছে, আজি মই তোমাৰ অহংকাৰ নাইকিয়া কৰিম।

সেয়া আছিল দুই শক্তিশালী বীৰৰ মাজত হোৱা যুদ্ধ। এই যুদ্ধ বিশ দিন ধৰি চলিছিল। শেষত কংসই যুদ্ধত জয়লাভ কৰিলে
আগলৈ

# বালক যোগী!

যোগভ্যাসৰ সহজ কৌশল

বালক যোগীয়ে তোমাক উচ্চাৰণ কৰিবলৈ কঠিন কিন্তু কৰিবলৈ উজু আসনটো শিকাই দিব।

## তিট্টিভাসন – পতংগৰ দৰে আসন

**1**

প্ৰথমতে বহি লৈ, তোমাৰ সোঁভৰি সমুখৰ ফালে প্ৰসাৰিত কৰি দিয়া। তাৰপিছত চিত্ৰত দেখুৱাৰ দৰে বাওঁভৰি সোঁ উৰুৰ ফালে বেঁকা কৰি দিয়া। দুয়োখন হাত পোন হৈ থকা ভৰিৰ ওপৰত মেলি ধৰা। হাতৰ তলুৱা যাতে তলফালে মুখ কৰি থাকে তালৈ লক্ষ্য ৰাখা। এনে কৰোতে হাঁত দুখন মজিয়াৰ লগত সমান্তৰাল হৈ থকা উচিত।

**2**

লাহে লাহে পিছফালে হাওলি সোঁভৰিটো ওপৰলৈ তুলি ধৰা। এনে কৰোতে ভৰিৰ গোৰোহাত জোৰ দিবা। তোমাৰ চকুৰ দৃষ্টি সোঁভৰিৰ বুঢ়া আঙুলিত থকা উচিত।

**3**

কান্ধদুখন যিমান পাৰি তললৈ নমাই পিছফালৰ ৰাজহাড়ৰ বাওঁদিশে ঠেলি দিয়া। আৰু লগতে বুকুখন ফুলাই দিয়া।

**4**

২–৬ বাৰ মান উশাহ লোৱা আৰু বন্ধ কৰা। তাৰপিছত ভৰিটো তুলি ধৰা আৰু এনে কৰোতে বুকুখনো যিমান পাৰি ফুলাই তুলিবলৈ চেষ্টা কৰা।

**5**

তাৰপিছত ভৰিটো লাহে লাহে তললৈ নমাই আনি মজিয়াত ৰাখা। লগতে কান্ধ দুখনো শিথিল কৰি আগৰ অৱস্থালৈ আনা।

**6**

এই একেই প্ৰক্ৰিয়াটো আনফালেও সমসংখ্যক বাৰ কৰা।

### উপকাৰিতা

* এই আসনে পেটৰ পেশী, মূল দেহ আৰু ভৰিৰ পেশীক শক্তিশালী কৰি তোলে।
* এই আসনে দেহৰ ভাৰসাম্যতা, মনোযোগ বৃদ্ধি কৰে।
* লগতে ই পেট, আঠু, উৰু, হাত বা কান্ধৰ পেশীৰ পুৰণা বা নতুন আঘাট নিৰাময় কৰাত সহায় কৰে।

# উদীয়মান তাৰকা

যদি আপুনি আপোনাৰ পৰিয়ালৰ বা ওচৰ-পাজৰৰ কোনো শিশুক উদীয়মান তাৰকা হিচাপে পোহৰলৈ আনিব বিচাৰে, তেন্তে শিশুজনৰ বিৱৰণ আৰু আপোনাৰ যোগাযোগৰ বিৱৰণ আমালৈ লিখি নিম্নোক্ত ঠিকনাত প্ৰেৰণ কৰক–

Young Achievers-RCM,
Chandamama India Ltd.,
B-3, Lunic Industries,
"B" Cross Road, Opp.
SBI, MIDC, Andheri (E)
Mumbai - 93.
(or)
online@chandamama.com

## ভাৰতৰ শিশু নিৰ্দেশক

কৃষ্ণন শ্ৰীকান্তৰ জন্ম হয় কনাটিকৰ বাংগালোৰত, ১৯৯৬ চনৰ ১৬ জানুৱাৰীত। তেওঁ ২০০৫ চনত 'কেয়াৰ অৱ ফুটপাথ' নামৰ এখন পূৰ্ণ দৈৰ্ঘৰ কানাড়া চলচিত্ৰ নিৰ্মাণ কৰি এক অভিলেখ স্থাপন কৰে। এই চলচিত্ৰত বলিউদৰ জনপ্ৰিয় অভিনেতা জেকি শ্ৰুফ আৰু কানাড়া চলচিত্ৰৰ অভিনেতা সুদীপৰ দৰে অভিনেতাই অভিনয় কৰে। এই চলচিত্ৰখন 'হিট' ৰূপে পৰিগণিত হয় আৰু ১০০ দিনীয়া সোণালী জয়ন্তী পালন কৰিবলৈ সক্ষম হয়। পিছত এই চলচিত্ৰখন পাঁচটা আন ভাৰতীয় ভাষালৈ 'ডাব' কৰা হয় আৰু লগতে ইংৰাজীতো মুক্তি দিয়া হয়। চিনেমাখনৰ কাহিনী 'শ্লাম' অঞ্চলৰ শিশু আৰু তেওঁলোকৰ জীৱনৰ ওপৰত আধাৰিত। দেউতাকৰ লগত গাড়ীৰে গৈ থাকোতে শ্লাম অঞ্চলৰ শিশুৱে ফুটপাথত ভিক্ষা কৰি থকা দেখা পাই শ্ৰীকান্তে এই চলচিত্ৰৰ নিৰ্মাণৰ কথা চিন্তা কৰে। শ্ৰীকান্তৰ দেউতাকে তেওঁৰ আঁচনিৰ কথা গম পাই চলচিত্ৰখন প্ৰযোজনা কৰে যাতে শ্ৰীকান্তে নিজৰ প্ৰতিভাৰ লগতে সমাজৰ প্ৰতি থকা দায়িত্ব প্ৰদৰ্শন কৰিবলৈ সুবিধা পায়। শ্ৰীকান্তে কেৱল চাৰি বছৰ বয়সৰ পৰাই অভিনয় কৰি আহিছে আৰু এতিয়ালৈকে তেওঁ ২৪ খন চলচিত্ৰ আৰু ১০০০ৰ অধিক টেলিভিশ্বন শ্ব'ত ভুমুকি মাৰিছে।

তেওঁ পেশাদাৰীভাৱে নিৰ্মিত চলচিত্ৰৰ সৰ্বকনিষ্ঠ নিৰ্দেশক হিচাপে গীনীজ বুক অৱ ৰ্ৱল্ড ৰেকৰ্ডছৰ অধিকাৰী।

তেওঁ মাত্ৰ ৩ বছৰ বয়সতে শিশু মডেল হিচাপে কাম কৰিবলৈ লয় আৰু ৪ বছৰ বয়সৰ পৰা অভিনয় কৰিবলৈ আৰম্ভ কৰে। ১৪ বছৰ বয়সত তেওঁ প্ৰায় ২৪ খন চলচিত্ৰ আৰু ৩০০শৰো অধিক টেলিভিশ্বনৰ খণ্ডত অভিনয় কৰিছে। মাত্ৰ ৬ বছৰ বয়সতে তেওঁ চলচিত্ৰৰ বাবে গীত গোৱা আৰম্ভ কৰে আৰু এতিয়ালৈকে তেওঁ ৩ খন চলচিত্ৰৰ বাবে গীত গোৱাৰ ওপৰিও ৪ টা এলবামৰ বাবে গীত গাইছে। তেওঁ এজন নিপুণ চলচিত্ৰ সম্পাদকো (তেওঁ ক্ষটজ্বড ষ্টুয়ত গুণ্ড– ক্ষক্টুণ্ড আদি চফ্টৱেৰ ব্যৱহাৰ কৰি কাম কৰে)। আৰ্নল্ড স্বোৱাৰজেনজাৰ, টম ক্ৰুজ, কেনু ৰীভছ, জিম কেৰী, অভিতাভ বচ্চন আদি হ'ল কৃষ্ণনৰ প্ৰিয় অভিনেতা।

২০০৬ চনৰ নভেম্বৰ মাহত, পূৰ্ণ দৈৰ্ঘৰ পেশাদাৰী চলচিত্ৰ নিৰ্দেশনা কৰা সৰ্বকণিষ্ঠ নিৰ্দেশক হিচাপে কৃষ্ণনৰ নাম গীনীজ বুক অৱ ৰ্ৱল্ড ৰেকৰ্ডছত অন্তৰ্ভূক্ত হয়। ইয়াৰ আগৰ অভিলেখতো আছিল ছীডনী লিঙৰ। তেওঁ ১৯৭৩ চনত ১৩ বছৰ বয়সত এখন ডাচ্চ চলচিত্ৰ 'লেক্স দি ৱণ্ডাৰডগ' নিৰ্দেশনা কৰিছিল।

কৃষ্ণনে আভিনয়ত ব্যস্ত থাকিলেও নিজৰ শিক্ষা, সামাজিক জীৱন আদিৰ প্ৰতি বেছ গুৰুত্ব দিয়ে। তেওঁ বৰ্তমান স্থানীয় ভাষাত নিৰ্মিত কেইবাখনো টেলিভিশ্বন ধাৰাবাহিকত অভিনয়ৰ প্ৰস্তাৱ লাভ কৰিছে। তেওঁ বাংগালোৰৰ কেমলিন ইংলিছ স্কুলত দশম শ্ৰেণীলৈকে অধ্যয়ন কৰে আৰু ২০১১ চনত ৯৩ শতাংশ নম্বৰ লাভ কৰি উৰ্তীণ হয়। তেওঁ বৰ্তমান বাংগালোৰৰ বাসৱেশ্বৰ নগৰত থকা কাৰ্মেল প্ৰি ইউনিভাৰছিটি কলেজত একাদশ শ্ৰেণীত অধ্যয়ন কৰি আছে। কৃষ্ণনৰ 'ৰোল মডেল' হ'ল ষ্টিফেন স্পিলবাৰ্গ।

কৃষ্ণনে বৰ্তমান 'টিনেজ-এ ভয়সি ওনটাৰা' নাম এখন কানাড়া চলচিত্ৰত 'আৰ্য' নামৰ এক মুখ্য চৰিত্ৰত অভিনয় কৰি আছে।

# কৌতুক

এটা পার্টিলৈ চাৰি গৰাকী মহিলা আমন্ত্রিত হ'ল। প্রথমজনীয়ে কলে, ''মোৰ পতিৰ চুলিৰ বৰণ ক'লা, সেইবাবে মই ক'লা সাজ পিন্ধিম।'' দ্বিতীয় গৰাকীয়ে কলে, ''মোৰ পতিৰ চুলিৰ বৰণ বগা-হালধীয়া, গতিকে মই হালধীয়া ৰঙৰ সাজ পিন্ধিম।'' তৃতীয় গৰাকীয়ে কলে, ''মোৰ পতিৰ চুলিৰ ৰং মটীয়া, গতিকে মই সেই ৰঙৰহে সাজ পিন্ধিম।'' শেষৰ গৰাকীয়ে কলে, ''মই একো সাজেই নিপিন্ধো কিয়নো মোৰ পতিৰ মূৰত চুলিয়েই নাই।''

ছাত্ৰ: নকৰা কাম এটাৰ বাবে আপুনি কাৰোবাক শাস্তি দিব নেকি?
শিক্ষক: নিশ্চয় নিদিও।
ছাত্ৰ: ভাল কথা তেন্তে, মই মোৰ হোমৱৰ্ক কৰা নাই।

শিক্ষক: যদি তুমি ৪৬৫৭ আৰু ৭৮৫৪ যোগ কৰা, তাৰপিছত ৬৭৮ বিয়োগ কৰি ৬২ৰে হৰণ কৰিলে কি পাবা?
ছাত্ৰ: এটা মূৰৰ বিষ ছাৰ।

Italy got hungry
ate Turkey
slipped on Greece
broke China
went shopping in Iceland
and got eaten by Wales!

এজন তপা মানুহৰ মূৰত দুটা মাখি বহি আছিল। এটাই আনটোক কৈ কৈছিল জানানে?
''হে ভগৱান, ইয়াত দেখোন লুকাবলৈ ঠাঁয়েই নাই।''

Doctor, Doctor can you please help me out?

Yes, over there- the same way that you came in!

# আখলৰ জুতি

## ফল কটাৰ কৌশল:

## ফলৰ মুখ

তুমি তৰমুজ আৰু কিছু আঙুৰৰ পৰা এখন মানুহৰ মুখ তৈয়াৰ কৰিবলৈ ভাল পাবা নেকি? তলৰ দিয়া ধৰণে তুমি এই কাম সহজতে কৰিব পাৰা।

প্ৰয়োজনীয় সামগ্ৰী

- তৰমুজ – ১ টা
- আঙুৰ – ২ থোক্ক খৰিকা
- বিলাহী – ১ টা
- এখন চুৰি কটাৰী

পদ্ধতি

১) তৰমুজক এখন সমান ঠাইত ৰাখা যাতে ই ভালদৰে থিয় হৈ থাকে।
২) চুলিৰ সৃষ্টি কৰিবলৈ আঙুৰবিলাক খৰিকাৰে চিত্ৰত দেখুৱাৰ দৰে লগাই দিয়া।
৩) আকৌ খৰিকাৰে দুটা আঙুৰ চকুৰ দৰে লগাকৈ সুমুৱাই দিয়া।
৪) বিলাহীটো খৰিকাৰে লগাই দি নাকৰ সৃষ্টি কৰা।
৫) তাৰপিছত চুৰী কটাৰীৰে মুখখন কাটি উলিওৱা। এই কাম কৰিবলৈ তুমি ডাঙৰ মানুহৰ সহায় লব পাৰা।

সজাই থবৰ বাবে তোমাৰ ফলৰ মুখ সাজু হৈ পৰিল।

এই কৌশলবিলাক চেষ্টা কৰি চাইছানে? তোমাৰ অভিজ্ঞতা আমালৈ এই ইমেইলত প্ৰেৰণ কৰিব পাৰা – Email: feedback@chandamama.com

## তৰমুজৰ চৰ্বত

প্ৰয়োজনীয় সামগ্ৰী

- তৰমুজ – ১ টা
- চেনী – ২ চামুচ
- বৰফ

তৈয়াৰ কৰাৰ পদ্ধতি

১) তৰমুজৰ বাকলি ভালদৰে গুচাই লোৱা আৰু টুকুৰা–টুকুৰকৈ কাটি মিক্সিত ভৰাই ভালদৰে মিহলাই পেলোৱা।
২) তাৰপিছত চেনী যোগ কৰি পুণৰ মিহলি কৰা। এটা সুঃদৰ গিলাচত পানীয়খিনি বাকি দিয়া।
৩) তাত চকল চকলকৈ কাটি লোৱা কেইটুকুৰামান তৰমুজ আৰু বৰফৰ টুকুৰা যোগ কৰা।
৪) ঠাণ্ডা হৈ থাকোতেই পৰিবেশন কৰা।

# সাধাৰণ জ্ঞান সাঁথৰ – ৫০

(১৬ বছৰতকৈ কম বয়সৰ ল'ৰা – ছোৱালীৰ বাবে)

সঠিক উত্তৰ দিওঁতা জনক ₹২৫০/- টকাৰ পুৰস্কাৰ দিয়া হ'ব।*

*যদি সম্পূৰ্ণ সঠিক উত্তৰ দিওঁতা এজনতকৈ বেছি হয়, প্ৰত্যেকজন সফল প্ৰতিযোগীক ₹৫০/- টকাকৈ পুৰস্কাৰ দিয়া হ'ব।

তুমি কি কৰিব লাগিব

১) এখন কাগজত উত্তৰবোৰ লিখা।
২) তোমাৰ নাম, বয়স আৰু পিন ক'ডৰ সৈতে ঘৰৰ সম্পূৰ্ণ ঠিকনা লিখা।
৩) লেফাফাৰ ওপৰত চান্দমামা সাধাৰণ জ্ঞান প্ৰশ্নোত্তৰ–৫০ লিখা।
৪) তোমাৰ উত্তৰ ৩০ এপ্ৰিলৰ ভিতৰত পাব লাগিব।

৫) সঠিক উত্তৰ জুন, ২০১৩ মাহৰ সংখ্যাত প্ৰকাশ কৰা হব।

## সানমিহলি প্ৰশ

১. আমাৰ দেহৰ সকলোতকৈ গধুৰ অংগটোৰ নাম কি ?

২. কোনখন পাহাৰীয়া নগৰ ব্ৰিটিছ ইণ্ডিয়াৰ গ্ৰীষ্মকালীন ৰাজধানী আছিল ?

৩. হেমেটাইট আৰু মেগনেটাইট কোনবিধ ধাতুৰ মুখ্য আকৰ ?

৪. কোনখন এছীয় ৰাষ্ট্ৰৰ ৰাষ্ট্ৰীয় এয়াৰলাইনৰ নাম 'বিমান'?

৫. ১৫৮১ চনত, কোনজন মোগল শাসনকৰ্তাই 'দিন–ই–ইলাহী' নামৰ এক ধৰ্মীয় পন্থাৰ আৰম্ভণি কৰিছিল ?

৬. কোনখন ৰাষ্ট্ৰৰ পৰা ভাৰতে যুদ্ধ বিমান পৰিবাহী জাহাজ 'এডমিৰেল গৰ্চকভ' কিনি লয়, যি ২০১২ চনত 'আই এন এছ বিক্ৰমাদিত্য' নাম লৈ ভাৰতীয় নৌ সেনাত যোগদান কৰে?

৭. সৰ্বোত্তম প্ৰথমখন চলচিত্ৰৰ নিৰ্দেশকৰ বাবে দিয়া হোৱা ৰাষ্ট্ৰীয় পৰ্যায়ৰ বঁটাটোৰ নাম কি ?

৮. কোনখন ভাৰতীয় ৰাজ্য পৰম্পৰাগত সমৰকলাৰ নাম 'কালাৰিপয়েট্টু' ?

৯. পয়গম্বৰ হজৰত মহম্মদৰ পৱিত্ৰ চুলি সংৰক্ষিত হৈ থকা হজৰতবাল দৰগাহ কোনখন চহৰত অৱস্থিত ?

১০. 'ষ্ট্ৰগল ফৰ এক্সিছটেনছ' কোনগৰাকী ভাৰতীয় মহিলাৰ আত্মজীৱনী?

## চান্দমামা সাধাৰণ জ্ঞান সাঁথৰ – ৪৭, ডিচেম্বৰ, ২০১২ৰ উত্তৰ–

~~১. পোৰবন্দৰ ২ পুতলী বাই ৩ মোৰীস্পৰ্ক ৪ বেলগাম ৫ হৰিজন ৬ সাবৰমতী ৭ চম্পাৰণ~~

*২০১২ চনৰ ডিচেম্বৰ মাহৰ সাধাৰণ জ্ঞান কুইজ প্ৰতিযোগীতাৰ কোনো বিজেতা নাই।*

# ক্ষিপ্র ফর্মূলা

ফেব্রুৱাৰী, ২০১৩ৰ সমস্যা

## জেছিকাৰ ফুলৰ বাগিছা

জেছিকাই তাইৰ ফুলৰ বাগিছত ফুৰি আছিল। বাগিছাত বহু ফুল ফুলি থকা দেখি তাই অতি আনঃদিত হ'ল।

বাগিছাত তিনিশাৰী গোলাপ ফুলৰ গছ আছিল আৰু প্ৰতি শাৰীতে ৫০ পাহকৈ গোলাপ আছিল। সূৰ্যমূখী ফুলৰ শাৰী আছিল দুটা আৰু তাৰ প্ৰতিশাৰীতে আছিল ২৫ পাহকৈ ফুল। যুটিফুলৰ শাৰী কেৱল এটাহে আছিল যদিও তাত ফুল আছিল ২০০ পাহ। লগত লৈ যোৱা কুকিটো ভৰাই তুলিবৰ বাবে তাইক প্ৰয়োজন আছিল ৪০ পাহ গোলাপ আৰু ১২৫ পাহ যুটি ফুল। এঘঃটাৰ ভিতৰত তাই এই ফুলখিনি চিঙিলে আৰু লগতে প্ৰতিশাৰীতে পাঁচটাকৈ ফুলৰ পুলিও ৰুলে।

ক) বাগিছাত থকা ফুলৰ শাৰীৰ সংখ্যা কিমান?

খ) চিঙাৰ পিছত বাগিছাত বাকী থকা ফুলৰ সংখ্যা কিমান?

গ) বাগিছাত কিমান গোলাপ ফুল আছিল?

ঘ) বাগিছাত তাই মুঠতে কিমানটা ফুলৰ পুলি ৰুলে?

---

টোকা– এই সমস্যাৰ সমাধান ২০১৩ৰ জুন মাহৰ সংখ্যাত প্ৰকাশ কৰা হব।

---

সকলোতকৈ ক্ষিপ্র ফর্মূলাটোৰ বাবে ₹৫০০ টকাৰ পুৰস্কাৰ প্ৰদান কৰা হব।

যদি বিজয়ী প্ৰতিযোগীৰ সংখ্যা ৫ জনতকৈ অধিক হয়, তেতিয়া প্ৰতিজনকে ₹১০০ টকাকৈ পুৰস্কাৰ দিয়া হব। তোমালোকৰ ফর্মূলাসমূহ ৩০ এপ্ৰিলৰ আগতে পোৱাকৈ সম্পূৰ্ণ নাম, ডাক ঠিকনা, পিন কোড আৰু দুৰভাষ নম্বৰসহ তলৰ ঠিকনালৈ প্ৰেৰণ কৰিব লাগিব

Editor, CHANDAMAMA INDIA LTD.

B-3, Cross Road 'B', MIDC, Andheri (East), Mumbai-400093.

নতুবা এই ঠিকনালৈ ইমেইল কৰিব পাৰা contests@chandamama.com.



# অকৃতজ্ঞ সিংহ

সিংহৰ অৱস্থা দেখি কাষতে আহাৰ বিচাৰি ফুৰা এটা কাঠোৱোকাৰ পুতৌ উপজিল। সিংহই তাক নিজৰ সমস্যাৰ কথা বিৱৰি কলে, ‘‘মোৰ ডিঙিত হাড় এডাল লাগি ধৰাত তীব্র বিষ হৈছে। একো খাব নোৱাৰা হৈছো। মোক সহায় কৰা।’’ ‘‘কিন্তু তুমি মোক যে খাই নেপেলাবা তাৰ কি ঠিকনা আছে?’’ কাঠোৱোকাই কলে।

কথামতেই সিংহই শুই দিলে। সি কাঠৰ টুকুৰা এটা লৈ সিংহৰ ওপৰৰ আৰু তলৰ কোৱাৰি বন্ধ কৰিব নোৱাৰাকৈ লগাই ললে। তাৰপিছত, সি তাৰ মূৰটো সিংহৰ মুখৰ ভিতৰলৈ সুমুৱাই দি ডিঙিত লাগি থকা হাড়ডাল টান মাৰি উলিয়াই দিলে।

এখন হাবিত, এটা সিংহই খাদ্য খাই আছিল। সি হৰিণৰ মাংস পাই হেপাহ পলুৱাই খাইছিল। হঠাতে তাৰ ডিঙিত এডাল হাঁড় লাগি ধৰিল। সি বিষত থাকিব নোৱাৰা হ’ল। ‘‘হে ভগৱান, উস্, আস্, বৰ বিষ।’’

‘‘মই তেনেকুৱা কেতিয়াও নকৰো, বন্ধু।’’ সিংহই কলে। সহায় কৰিবলৈ কাঠৰোকা মান্তি হ’ল। কিন্তু তথাপিও সি সিংহক বিশ্বাস কৰি লবলৈ টান পালে। সি সিংহক কলে, ‘‘ঠিক আছে। মই তোমাক সহায় কৰিম। তুমি পথালিকৈ শুই দিয়া।’’



# জাতকৰ কাহিনী

কেইদিনমানৰ পিছত সিংহই এটা ম'হ ভোজন কৰি আছিল। কাঠবোকা সেই ঠাইলৈ আহিল আৰু সি সিংহৰ কৃতজ্ঞতাবোধৰ পৰীক্ষা লব খুজিলে। ''হে পশুৰাজ, মই কেইদিনমানৰ আগতে আপোনাক সহায় কৰিছিলো। এতিয়া মোক আপোনাৰ সহায় লাগে।'' কাঠবোকাই কলে।

''মইহে তোমাৰ অনিষ্টনকৰি তোমাৰ ওপৰত দয়া প্রদর্শন কৰিলো। এতিয়া তুমি ইয়াৰ পৰা গুচি যোৱা। নহলে মই...'' সিংহ গৰজি উঠিল। কাঠবোকা উৰি গুচি গ'ল। হাড়ডাল উলিওৱাৰ সময়ত সাৱধানতা প্রদর্শন কৰাৰ বাবে সি নিজকে ধন্যৱাদ দিলে।

তাৰপিছত কাঠবোকাই মূৰটো বাহিৰলৈ উলিয়াই আনিলে আৰু দুই কোৱাৰি জপাব নোৱাৰাকৈ লগাই থোৱা কাঠৰ টুকুৰাটো আঁতৰাই দিলে। ''আশাকৰো এতিয়া তুমি সুস্থ অনুভৱ কৰিবা বন্ধু।'' কাঠবোকাই কলে।

এতিয়া সম্পূর্ণ সুস্থ অৱস্থাত থকা সিংহই কাঠবোকাৰ সহায়ৰ কথা সম্পূর্ণৰূপে পাহৰি গ'ল। ''কি কথা কোৱাহে তুমি। তুমিহে মোৰ প্রতি কৃতজ্ঞ হোৱা উচিত। তোমাৰ দৰে নিমাখিত পক্ষীক মই একে কামোৰে খাই পেলাব পাৰিলোহেতেন।''

# গুপ্তধনৰ বাকচ

এইমাহত আমি কিছুমান উৰিব নোৱাৰা পক্ষীৰ ছৱিৰে এখন স্ক্ৰেপবুক তৈয়াৰ কৰো আহা।

কেছৱাৰী

কৰমৰন্ট

পাতি হাঁহ

ড’ড’

ককপো

ইমু